# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: . 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

# সূচী


| বিষয় | পৃষ্ঠা |
|---|---|
| অভিভাবকের চর্চা | ৫১৩ |
| দীঘায় বিশ্রাম | ৫২৫ |
| উত্তরবাংলার পার্বত্যাঞ্চলে | ৫৩৩ |
| ভারতীয় | ৫৪৩ |
| সৌন্দর্য আর বিনাশ | ৫৪৮ |
| দুর্গাসিংহ ও অমরসিংহ | ৫৫৩ |
| আমার তীর্থ পর্যটন | ৫৫৮ |
| গুরুচরিত্র | ৫৬১ |

# সম্পাদকৰ চৰা।

"নমো নমো নাৰায়ণ　　প্ৰসন্ন হুয়োক হৰি,
কৰিয়োক মায়াক নিৰ্বাণ।
আপোনাৰ মহিমাক　　আপুনি বেকত কৰি
জীৱক কৰিলা পবিত্ৰাণ॥"

তিনি-শ-ছয়চল্লিশ বছৰৰ আগেয়ে, এই ভাদ মাহৰ শুক্লপক্ষ দ্বিতীয়া তিথি, পুৰা ডেৰ প্ৰহৰ বেলিৰ সময়ত, নৰনাৰায়ণ ৰজাৰ ৰাজ্য কোচবেহাৰত আসামৰ গৌৰব-সূৰ্য্য মহাপুৰুষ শঙ্কৰদেৱে এশ কুৰি বছৰ সৌমাৰপীঠ, কামপীঠ আৰু ৰত্নপীঠত জ্ঞান আৰু ধৰ্ম্মৰ বিমল কিৰণ বিকিৰণ কৰি, দুৰূহ দুৰ্ব্বোধ্য শাস্ত্ৰ-সমুদ্ৰ মন্থন কৰি, ভৱৰোগৰ একমাত্ৰ সুলভ মহৌষধ অমৃতৰ ভাণ্ড হৰিনাম উদ্ধাৰ কৰি, জাতি-বৰ্ণ-নিৰ্ব্বিশেষে তিনিও ৰাজ্যৰ প্ৰজাক বিলাই দি, বৈকুণ্ঠপ্ৰয়াণ কৰিছিল। যিজন কৃপালু মহাপুৰুষৰ বিতৰিত হৰিনাম মহৌষধ-সুধা পান কৰি অলেখ অসংখ্য লোকে ভৱসংসাৰ তৰি পৰমেশ্বৰৰ পৰম পদ লাভ কৰিছে, আমাৰ সেইজন ইষ্ট মিত্ৰ সুহৃদ সোদৰ বন্ধু মহাপুৰুষক আজি স্মৰণ কৰি তেওঁৰ পদ ধূলিৰ "বেণু শত কোটী বাৰেক প্ৰণাম কৰি" শুদ্ধ হৈ, আজি আমি এই পবিত্ৰ দিনৰ পবিত্ৰ তিথিত নিজক ধন্য কৰোঁ।

"পাইলোঁ পাইলোঁ ৰে কৃষ্ণপদ পঙ্কজৰ ধূলি।
ব্ৰহ্মা হৰে শিৱে ধৰে শুদ্ধ হওঁ বুলি॥"

*　　*　　*

ধৰ্ম্মপ্ৰচাৰক ধৰ্ম্মশিক্ষক মহাত্মা মহাপুৰুষসকল যি যি দেশৰ মানুহৰ মনত প্ৰভাৱ বিস্তাৰ কৰি ঈশ্বৰৰ ইচ্ছাত উত্তৰ হয় সেই সেই জাতিৰ জাতীয়তা গঠন, সেই সেই দেশৰ বুৰঞ্জী সৃজন আদি মহা মহা কাৰ্য্যবোৰ সেই

সেই মহাপুৰুষসকলৰপৰা কি প্ৰকাৰে সংঘটিত হয় সেইটোৰ প্ৰকৃত জ্ঞান সেই সেই দেশৰ সেই সেই জাতিৰ মনত জাগ্ৰত হয় কেতিয়া ?—যেতিয়া সেই সেই জাতিৰ মানুহৰ মনত ঐতিহাসিক বিষয়-সামঞ্জস্য আৰু পৰিমাণ পৰিসৰ অৱধাৰণাৰ সম্যক বোধ আৰু প্ৰকৃত বিবেচনা-জ্ঞানৰ পৰিপুষ্টি ঘটে। মহাপুৰুষসকলে জড়ভাবাপন্ন মনুষ্য-সমাজত চেতনা সঞ্চাৰ কৰি, সমাজৰ অঙ্গীভূত মনুষ্যৰ সুষুপ্তি অৱস্থা দূৰীকৃত কৰি, প্ৰত্যেককে জাগ্ৰত জীৱন্ত অৱস্থালৈ আনিবলৈ তেওঁলোকৰ হৃদয়স্থিত জাগ্ৰত জীৱন্ত চৈতন্যশক্তিৰ প্ৰবাহ প্ৰত্যেকৰ ধমনিয়ে ধমনিয়ে প্ৰেৰণ কৰে। সেই প্ৰবাহৰ প্ৰেৰণাস্পৃষ্ট হৈ মনুষ্য সমাজে নতুন জীৱনৰ নতুন আনন্দত উদ্ভাসিত হৈ উঠি বিশ্ব-নিয়ন্তাৰ বিশ্বম্ভৰ চৰণ-পঙ্কজত প্ৰেমপুষ্পৰ প্ৰীতি-অঞ্জলি, কৃতজ্ঞ হৃদয়ৰ বন্দনা-গাথাৰে সৈতে সমৰ্পণ কৰি নিজৰ ক্ষুদ্ৰতা বিমুক্ত হৈ ঈশ্বৰৰ সমীপৱৰ্ত্তী হয়। চাৰেতিনি শ—চাৰি শ বছৰৰ আগেয়ে আসামত এই দেৱলোকদুৰ্ল্লভ পৰম মঙ্গল ঘটনা সংঘটিত হৈছিল, অসমীয়াৰ মৃতকল্প আড়ষ্ট জাতীয় শৰীৰত সঞ্জীৱনী-সুধা-বৰ্ষণৰূপ মহানাটৰ মহা অভিনয় হৈছিল। সেই মহানাট প্ৰণেতা আৰু তাৰ প্ৰধান অভিনেতা কুসুমবৰ ভূঞাৰ পুত্ৰ মহা গুণশীলসম্পন্ন মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ।

* * *

মহাপুৰুষ শঙ্কৰদেৱৰ কীৰ্ত্তিকলাপৰ গুৰুত্ব কিছু পৰিমাণে বুজিবলৈ হলেও, তেওঁৰ দিনত আসাম দেশৰ, আসাম সমাজৰ আৰু অসমীয়াৰ অৱস্থা ৰীতিনীতি আচাৰ ব্যৱহাৰ ধৰ্ম্মজ্ঞান আৰু কুসংস্কাৰ কুপ্ৰথা ইত্যাদিৰ বিষয়ে ভালকৈ মনত সুৰঁৰি লবৰ আৱশ্যক। আসাম দেশ আৰু অসমীয়া বোলোঁতে আমি আহোম ৰজাৰ উজনি আসাম, কোচ ৰজাৰ কামৰূপ আৰু কোচবেহাৰ এই তিনিখন দেশ আৰু তাৰ অধিবাসীসকলক একে লগে ধৰি লৈ ডাঙৰ আসামৰ কথা কৈছোঁ। উজনিত—আহোম ৰজাৰ আৰু ডাঙৰ ডাঙৰ ৰাজ বিষয়াসকলৰ দোৰ্দ্দণ্ড প্ৰতাপ, আৰু সেই প্ৰতাপৰ সদ্ব্যৱহাৰৰ তুলনাত অসদ্ব্যৱহাৰৰ অনেক গুৰুত্ব; অলপ দোষতে বা বিনা দোষতে প্ৰজাৰ ওপৰত গুৰুতৰ দণ্ডবিধান,—যেনে প্ৰাণদণ্ড, চকু কঢ়া, আঠুৰ ঘিলা কঢ়া, নাইত কুমটি মেলা, হাতকটা,



ভৰি কটা আদি,—কুসংস্কাৰ কুশিক্ষা অশিক্ষা ৰাগ হিংসা দ্বেষ আদি বৃত্তিৰপৰা ওপজা স্বভাৱত যি মন-যায়-তাকে কৰিব-পৰা উচ্ছৃঙ্খল পৰাক্ৰমৰ প্ৰবল বতাহ, আৰু মন্ত্ৰী বিষয়া কৰ্ম্মচাৰী চোৰাংচোৱা টুটকীয়া-নাটকীয়া আদিৰ তাত ডাঙৰ পাল; অপৰিস্ফুট বা বিকৃত-পৰিস্ফুট ধৰ্ম্মজ্ঞান; গৰ্ব্ব আৰু অজ্ঞানতাবিমিশ্ৰিত কুসংস্কাৰ; জ্ঞান ধৰ্ম্ম শিক্ষাদাতা ব্ৰাহ্মণসকলৰ সংকীৰ্ণতা, বিদ্বেষ, আত্মম্ভৰিতা, অতি লোভ, আৰু ৰজা প্ৰজা আৰু ডাঙৰীয়াসকলৰ ওপৰত তেওঁলোকৰ ক্ষমতাৰ কটকটীয়া খামোচ ৰখাৰ প্ৰাণপণ চেষ্টা। কামৰূপতো উনৈশ-বিশ তেনে অৱস্থা, তেনে আচৰণৰ প্ৰবলতা; কোচবেহাৰতো কামৰূপ আৰু উজনি এই দুই খণ্ডতকৈ কিছু পৰিমাণে সুমাৰ্জ্জিত সুশৃঙ্খলিত আৰু উন্নত অৱস্থাৰ অস্তিত্ব। এনে এখন সেই সময়ৰ চিত্ৰপট মনৰ আগত ৰাখিলেহে শঙ্কৰদেৱৰ গুৰুতৰ কাৰ্য্যৰ গুৰুত্ব অনুভৱ কৰিব পৰা যাব। সেই সময়ত আমি দেখিবলৈ পাওঁ কি? পাওঁ, হিন্দু ধৰ্ম্মৰ বাহ্যিক অনুষ্ঠান ক্ৰিয়াকাণ্ড আৰু মন্ত্ৰতন্ত্ৰৰ জৰী-কহঠিৰ বান্ধোনেৰে হিন্দু সমাজৰ অঙ্গ প্ৰত্যঙ্গবোৰ আড়ষ্ট জড়পূৰ; আৰু সেই জড়পূৰ বান্ধোনত হিন্দুধৰ্ম্ম হিন্দু সমাজৰ ওষ্ঠাগত প্ৰাণ। সেই ক্ৰিয়াকাণ্ড অনুষ্ঠানৰ জৰীকহঠিবোৰ বাটোতা আৰু সমাজৰ সৰ্ব্বসাধাৰণ মানুহৰ গাত সেই জৰীকহঠিবোৰ বান্ধোতা কোন?—অপণ্ডিত আৰু পণ্ডিত নামধাৰী কৰ্ম্মী ব্ৰাহ্মণসকল। সেই ব্ৰাহ্মণসকলৰ পক্ষে সেইটো অৰ্থাগমৰ বাঙ্‌আলি আৰু প্ৰভুত্ব প্ৰাধান্যৰ যাই বেহা বেপাৰৰ সুতি। হিন্দুধৰ্ম্মৰ প্ৰাণ দুৰূহ সংস্কৃত শাস্ত্ৰৰ ভিতৰত নিবদ্ধ। সেই শাস্ত্ৰৰ ব্যূহ ভেদ কৰিবৰ অধিকাৰ আৰু বল সংস্কৃতজ্ঞ ব্ৰাহ্মণসকলৰ হাতত আবদ্ধ। সৰ্ব্বসাধাৰণ মানুহ সংস্কৃত অনভিজ্ঞ; সেইদেখি নিজে শাস্ত্ৰৰ সুদৃঢ় ব্যূহ ভেদ কৰিবলৈ সৰ্ব্বসাধাৰণৰ অপাৰগতা আৰু কৰিবলৈ যাবলৈ কোনো কোনোৰ ইচ্ছা হলেও তাত ব্যূহ-ৰক্ষক বলী ব্ৰাহ্মণসকলৰ দুৰ্ব্বাৰ প্ৰতিবন্ধকতা। সেই প্ৰতিবন্ধকতাৰ জন্ম—তেওঁলোকৰ অৰ্থাগমৰ আৰু প্ৰাধান্যৰ বাটত কণ্টকৰ ভয়ৰপৰা। ব্ৰাহ্মণেতৰ কোনো এজন নিজৰ প্ৰতিভাৰ বলেৰে ব্যূহভেদ কৰিবৰ সমৰ্থবান হৈ সেই কামে অগ্ৰসৰ হলেও তেতিয়াই ব্যূহ-ৰখোতা মঠ-ৰক্ষা ব্ৰাহ্মণসকলৰ তেওঁ-লোকৰ চিৰপ্ৰথা অনুসাৰে তেওঁৰ ওপৰত নিগাতন আৰু নানা ভয় প্ৰদৰ্শনৰ

যাবাই তাৰপৰা তেওঁৰ প্ৰত্যাবৰ্ত্তন। তেওঁলোকে কয়,—ব্ৰাহ্মণৰ বাহিৰে আন জাতৰ মানুহে শ্ৰুতি, স্মৃতি, গীতা, ভাগৱত পঢ়িব নেপায়, শুনিব নেপায়, ওঁ উচ্চাৰণ কৰিব নাপায়; কৰিলে মহাপাপ হয়, নৰকলৈ যাব লাগে। আৰু পৰকালৰ এই শাস্তি বিধানলৈকো ভয় নকৰি তেনে কাৰ্য্যলৈ কোনো আগ বাঢ়িলে, তেওঁলোকে সেইজনৰ কাণত তপত শলা, মুখত গলোৱা তপত সীহ, আৰু গাত তুষাণল অৰ্থাৎ তুহজুই দি পুৰিবৰ ভয় দেখুৱা ব্যৱস্থা প্ৰদৰ্শন কৰে। তেওঁলোকে কয়,—"হেৰ শূদ্ৰিৰ, তোক হিন্দু শাস্ত্ৰৰ সকলো মৰ্ম্ম ধৰ্ম্ম কৰ্ম্ম, মুঠতে হিন্দুধৰ্ম্মৰ বিষয়ে যি লাগে মই শিকাম, তোক কি লাগে তই মোৰপৰা ল, আমাৰ পবিত্ৰ শাস্ত্ৰলৈ তই অপবিত্ৰ হাত নেমেলিবি, হাত মেলিলেই তই ৰৌ-ৰৌ নৰকত পৰিবি। অৰ্থাৎ ব্ৰাহ্মণেতৰ জাতৰ মানুহক ধৰ্ম্মৰ সকলো বিধি ব্যৱস্থা যি যি লাগে আমি বামুণে দি থাকিম, সিহঁতে আমাক বামুণক "ফিজ" দি থাকক মাথোন; নহলে আমি বামুণে নো কি খাই প্ৰবৰ্ত্তিম? কাৰণ, বামুণৰ এইটোৱেই উপ-জীৱিকা, এইটোৱেই ব্যৱসায়। হেৰ শূদ্ৰিৰহঁত, ঈশ্বৰৰ আদালতত দিবলৈ তহঁতৰ কি দৰ্খাস্ত আছে আমাক দে, আমি তহঁতৰ হৈ সেই দৰ্খাস্ত দি তহঁতৰ গোচৰ জিকাই দিম। কিন্তু যদি আমাৰ কথা নুশুনি তহঁতে নিজেই দৰ্খাস্ত দাখিল কৰি ঈশ্বৰৰ আদালতত হাজিৰ হবলৈ আগবাঢ় যা, তেন্তে তহঁতে গোচৰ যে হাৰিবিয়েই তহঁতৰ দৰ্খাস্তকে ঈশ্বৰে গ্ৰহণ নকৰে, দলিয়াই পেলাব, আৰু তাৰ আগেয়েই তহঁতে আদালতৰ টেকেলা চাপৰাচীৰ গতা খাই খালত পৰি মৰিবি। বিশেষ, তহঁতে তো ধৰ্ম্মৰূপী আইন নাজানায়েই, আইনত তহঁতে প্ৰবেশ কৰিবই নোৱাৰ, তাৰ মৰ্ম্মও নুবুজ, আৰু আইন ছুবৰ তহঁতৰ অধিকাৰও নাই। অৱশ্যে কেতিয়াবা দুটা এটা আন জাতৰ মানুহ ঈশ্বৰৰ কেছাৰিৰ কাষত ঘূৰি ফুৰা আমি দেখিছোঁ, আৰু সিহঁতৰ বুধি শুনিয়েই তহঁতেও নিজে দৰ্খাস্ত দিবলৈ আহিছ; কিন্তু সাৱধান, সেই কেইটা "টাউট" হে, "দালাল," হে; আমি হে ঈশ্বৰৰ আদালতৰ আইনৰ চাৰ্টফিকেট পোৱা গ্ৰেজুৱেট বি, এল, উকিল।" ওঁকাৰ পৰমেশ্বৰ জ্ঞাপক ধ্বনি, সেই ধ্বনিয়ে ব্ৰহ্মা, বিষ্ণু, মহে-শ্বৰকো বুজায়। বামুণে কয় "হেৰ শূদ্ৰিৰ, তই এই মাতটো নামাতিবি,



মাতিব নাপায়, মাতিবৰ তোৰ অধিকাৰো নাই; তোক আমি দক্ষিণা লৈ পৰাচিত কৰাওঁতে বা মাঘ মাহীয়া নৈত মন্ত্ৰ মতাই স্নান কৰাওঁতে এইষাৰ কথাৰ ঠাইত তই "নমো" "নমো" কৰি যাবি, কাৰণ তই শূদ্ৰিৰ। যদি কেনেবাকৈ এইষাৰ তোৰ জিভাত ওলায়, তেন্তে তই চান্দ্ৰায়ণ পৰাচিত হব লাগিব, আৰু তোৰ জিভা কাটি পেলাব লাগিব। হেৰ শূদ্ৰিৰ বেদৰ মন্ত্ৰ, স্মৃতিশাস্ত্ৰৰ মন্ত্ৰ বিবাহত নামাতিলে নহয়, সেইটো ঠিক; কিন্তু তই শূদ্ৰিৰ, তোৰ বেদ মন্ত্ৰ মাতিবৰ অধিকাৰ নাই; অথচ বেদমন্ত্ৰ নামাতিলেও বিয়া নহয়; এতেকে তাৰ মাজামাজি ব্যৱস্থা এটা আমি তোলৈ উলিয়াইছোঁ,—তই বিয়াৰ হোমৰ গুৰিত বহি থাকিবি, আমি তোৰ হৈ মন্ত্ৰ মাতি হোম কৰি জুইত এঠোলা ঘিউ দিম, (অৰ্থাৎ) জানিবা তোৰ হৈ আমিয়েই কন্যা বিয়া কৰি দিম, তই আমাক দক্ষিণা দিলেই সেই কন্যা - property তোলৈ হস্তান্তৰ transfer কৰি দিয়া যাব।

• • •

অৱশ্যে নিজৰ interest বা স্বত্ব ৰক্ষা কৰিবলৈ প্ৰাণপণে এনেবোৰ চেষ্টা কৰা দেখি বাপুসকলক বৰকৈ দায় দিব নোৱাৰি; কাৰণ এনে কাম প্ৰায় সকলোৱেই কৰে। আজিও কলিকতাৰ হাইকোৰ্টত "অৰিজিনেল চাইদ্ৰ" আদালতত বেৰিষ্টৰ-বামুণে উকিল-শূদ্ৰিৰক ঢুকিব নিদিবলৈ প্ৰাণপণে যুজা দেখা যায়। কিন্তু যি ঈশ্বৰ সকলোৰে পিতা, তেনে ঈশ্বৰৰ আদালতত আৰু ঈশ্বৰৰ সমুখত, সকলোৰে লক্ষ্য স্থান তেওঁৰ পাবৰ বাটত এনে চাতুৰী অসহ্য!

• • •

শঙ্কৰদেৱে নিজৰ প্ৰতিভা আৰু সাহৰ বলেৰে, ব্ৰাহ্মণসকলে বধি থকা এনে অগ্নিগৰ ভেদ কৰি গৈ হিন্দুধৰ্ম্মৰ শাস্ত্ৰত প্ৰবেশ কৰি তাৰ সাৰ উদ্ধাৰ কৰি বাহিৰলৈ আনিলে। ব্ৰাহ্মণ বৰীয়াসকল শঙ্কৰৰ অসীম সাহ আৰু আস্পৰ্দ্ধা দেখি স্তব্ধ!! — এটা শূদ্ৰিৰৰ ইমান সাহ! আমি বাহ বামুণে শাস্ত্ৰৰ বচনৰ, বিধি নিষেধৰ জাঠি জোং ধেনু কাঁড় লৈ, ব্ৰহ্মসাপ-অগ্নিগড়ৰ বেঢ়ি আমাৰ পুৰুষ-পুৰুষানুক্ৰমে চলি আহি থকা বামুণৰ অকলশৰীয়া সম্পত্তি-বোৰ বধি থাকোঁতেই, গড় ভাঙি তাত শূদ্ৰিৰ শঙ্কৰে সোমাই তাক

উলিয়াই আনে! আকৌ আনিলে আনিলে, নিজে তাক যি কৰে কৰক, তাকো নহয় সহি থাকিব পৰোঁ, কিন্তু চণ্ডালবেপৰা বামুণলৈকে সকলোৰে মাজত তাক বৰ-সবাহৰ মাহ চাউল কল বিলোৱাদি বিলায়!!! এতেকে ইয়াক শুদাই এৰিব নোৱাৰোঁ। হৰিদেউ, মহাদেউ, ত্ৰিলোচন, সৰুকণ বাপুহঁত কোন কত আছ ওলাইক, আমাৰ ৰজাৰ আগত গোচৰ দি ইয়াৰ কণ-কটীয়া মাৰোঁহক!" এই বুলি বাপুসকলে ককালত টঙালি বান্ধি, উজনিত আহোমৰজাৰ চাণ্ডত উঠি, কামৰূপ কোচবেহাৰত কোচ ৰজাৰ ৰবচৰাত সোমাই, শঙ্কৰদেৱৰ ওপৰত গোচৰ "কজু" কৰিলে—"মহাৰাজ! ধৰ্ম্মাৱতাৰ! হিন্দুধৰ্ম্ম ৰক্ষাকৰ্ত্তা পালনকৰ্ত্তা! প্ৰজাপালক! দুষ্টদমনকাৰী! শঙ্কৰ শূদ্ৰিৰে সিদ্ধি দি, আমাৰ সনাতন ধৰ্ম্মৰ গৰত অনধিকাৰ প্ৰবেশ কৰি, আচল ধৰ্ম্ম বুলি কিবা মিছা নাম-ধৰ্ম্মৰ পৰি-থকা ফটাকানিৰ টোপোলা এটা কোনোবা ভেকুৰা চুকৰপৰা চুৰ কৰি উলিয়াই আনি, বামুণ, শূদ্ৰিৰ, চণ্ডাল, গাৰো, ভোট, যৱন সকলোৰে আগত মেলি, আচল হিন্দু ধৰ্ম্ম বুলি তাৰ ফটাকানিবোৰ বিলাই দিছে। সেই সস্তা ফটা-কানিবোৰ পাই যেয়ে সেয়ে লৈ গৈছে আৰু তাকে দেখি আমাৰ হিন্দুশাস্ত্ৰ বিহিত আচল হিন্দুধৰ্ম্মলৈ প্ৰজাই আওকাণ কৰি সকলোবোৰ অনাচাৰী অবৌদ্ধীয়া বৌদ্ধ হৈ পৰিছে। মহাৰাজ ধৰ্ম্মপালক! আপোনাৰ দেশ এই দৰে শঙ্কৰে তল নিয়ালে। দেশত ধৰ্ম্মৰ নামত এনে অধৰ্ম প্ৰচাৰ হলে মহাৰাজৰ অমঙ্গল অনিবাৰ্য্য; আন কি ছত্ৰভঙ্গও সুনিশ্চিত। এতেকে এই অধৰ্মীক শাসন কৰি নিৰ্ম্মূল কৰিবৰ আজ্ঞা হয়!" পৰাক্ৰমী "পণ্ডিত" ধৰ্ম্মধ্বজ ব্ৰাহ্মণৰ কথা শুনি আহোম ৰজাৰ আৰু কোচৰজাৰ লাগিল ভয়, উঠিল খং। ফলত "শঙ্কৰক ধৰি আন" "ধৰি আন" লাগিল। দোষ প্ৰমাণ হলে শঙ্কৰৰ মূৰ যাব, তেওঁৰ সৰা তিকতা ভকত বান্ধৱৰ আলুৱে-কলাপুলিয়ে উঠিব। এনে অৱস্থা এনে কাল।

* * *

মহাপুৰুষ শঙ্কৰে নিজৰ প্ৰগাঢ় শাস্ত্ৰজ্ঞান বিদ্যা বুদ্ধি আৰু যুক্তিৰ বলেৰে আপোন কাৰ্য্যৰ সত্যতা আৰু যথাৰ্থতা প্ৰমাণ আৰু প্ৰতিষ্ঠিত কৰি ব্ৰাহ্মণসকলৰ বিদ্বেষ-সম্পন্ন অসত্যৰ জাল, তেনে অব্যৱস্থিতচিত্ত অবিবেকী



ৰজাৰ আগতো নিৰ্ভয়ে নিঃসন্দেহে ফালি ডোখৰ ডোখৰ কৰি, এহাতে নিজ ধৰ্ম্মমতৰ আৰু নিজ কাৰ্য্যৰ অখণ্ড উজ্জ্বল বন্তি হাতত লৈ, আন হাতে বিজয়-বৈজয়ন্তী-কেতন উৰাই, বাৰে বাৰে বিপদৰপৰা সগৌৰৱে সসম্মানে ওলাই আহি, এক মুহূৰ্ত্তৰ নিমিত্তেও গৰ্ব্ব আৰু অভিমানৰ আশ্ৰয় নলৈ, স্বকাৰ্য্যত স্বধৰ্ম্মত আৰু দয়ালু ঈশ্বৰৰ চৰণত আৰু দৃঢ়সঙ্কল্প হৈ, ভৱ-ৰোগ প্ৰপীড়িত লোকক হৰিনাম মহৌষধ দি, বৈষ্ণৱৰ প্ৰকৃত লক্ষণ—"তৃণাদপি সুনীচেন তৰোৰিব সহিষ্ণুনা। অমানিনা মানদেন কীৰ্ত্তনীয়া সদা হৰিঃ॥" ইয়াৰ উজ্জ্বল উদাহৰণ জগতৰ সমুখত থবিলে। সেইবাবেহে "ঘোষাত" মাধৱদেৱে লিখিছে—

"ৰাজা প্ৰজা জানিলেক ভক্তিপথ
শঙ্কৰৰ মত শুদ্ধ।
সিটো মত লাৰি আন আচৰয়
পৰম সিটো মুগুধ॥"

* * *

সেই দেখিহে ঘোষাত কৈছে

"পৰম অমূল্য বস্তু হৰিৰ নামৰ পেড়া
অতি গুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি
মুদভাঙ্গি সমস্তকে দিল।"

কলিত একমাত্ৰ মুক্তিৰ সহজ উপায়, ভূদেৱ ব্ৰাহ্মণসকলে লুকাই থোৱা হৰিনামৰ পেৰাটো গৰৰ ভিতৰৰপৰা কৃপালু শঙ্কৰে উলিয়াই আনি, তাৰ মুদা ভাঙি কৃপা কৰি সকলোৰে আগত হৰিনাম উলিয়াই দি, পূজাপাটল, গ্ৰহযজ্ঞ, শান্তিকৰ্ম কৰি খাই প্ৰবৰ্ত্তি থকা বামুণৰ বৃত্তিছেদ কৰিলে; সেই বাবে শঙ্কৰ কৰ্ম্মী বামুণৰ চকুৰ কুটা দাতৰ শাল। নামৰ পেৰাৰ অকল মুদা ভাঙি দিয়েই শঙ্কৰে নেৰিলে, সেই খিনিতে এৰাহেঁতেনো যিহক-তিহক; তেওঁ আকৌ জগৎ জোৰাকৈ হৰিনামৰ হাট পাতি দিলে, যাতে ৰজা প্ৰজা ধনী দৰিদ্ৰ বামুণ চণ্ডাল সকলোৱে হাটলৈ গৈ হৰিনাম কিনি বেচি তৰি যাব পাৰে—

"হৰিৰ নামৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
ৰাম নাম ৰত্ন বেহায়া জগতে
চলয় বৈকুণ্ঠ পুৰি ॥"

এই দৰে হৰিনাম-মাণিক লুকাই থৈ ভোদা মানুহক ঠগাই অৰ্থাৎ কাঞ্চন বুলি কাঁচ বেচি খোৱা দেৱতা আৰু ভূদেৱতা ব্ৰাহ্মণৰ গৰ্ব্ব শঙ্কৰে চুৰ কৰিলে ;—

"হৰিনাম গুপ্ত ভৈল মনুষ্যত পূজা বৈল
বুলি বঙ্গ কৰে দেৱ সৰ্ব্ব।
হেন হৰিনাম ধৰ্ম্ম শঙ্কৰে বিদিত কৰি
চুৰ কৈলা দেৱতাৰ গৰ্ব্ব ॥"

এনে শঙ্কৰৰ ওপৰত ভূদেৱসকলৰ জাতক্ৰোধ নহৈ কাৰ ওপৰত হব ? সেইদেখি শঙ্কৰৰ গোটেইটো জীৱন তেওঁলোকে সাধ্যমতে কোঁচকোঁচনি কামোৰণি খোটনিৰে জৰ্জ্জৰিত কৰিবলৈ ত্ৰুটী কৰা নাছিল। কিন্তু হৰিনাম অমৃত পান কৰি অজৰ অমৰ হোৱাজনক, ঢোৰাসাপৰ তো কথাই নাই, ফেটীসাপ গোমসাপৰ বিষেই বা কি কৰিব ? প্ৰহ্লাদক কি কৰিব পাৰিছিল ?

"ৰাম কৃষ্ণ ভাবিতে ত্যাগয় কালসাপে।
হৰি ভকতক দুঃখ দিবে কাৰ বাপে ॥"—ঘোষা।

শঙ্কৰে বিভিয়াই বিভিয়াই কবলৈ ধৰিলে --

"হৰিবোল হৰিবোল অহে লোকাই !
হৰি বিনে নাহি গতি"—কীৰ্ত্তন।

"কলিত হৰিৰ নামেসে নামেসে
সাধয় মাত্ৰ মুকুতি"—কীৰ্ত্তন।

"হৰিসে জানা জগতৰ নিধি।
এতেকে হৈবেক পৰম সিদ্ধি ॥
দৃঢ় কৰি ধৰা হৰিৰ পাৱ।
পাপ সাগৰত এহি সে নাৱ ॥"—কীৰ্ত্তন।



"কোটী এক ৰাজসূয় অশ্বমেধ
যজ্ঞে যাক নোহে সৰি।
হেন হৰি নাম নলয়ে হেলাত
মৰে আত্মঘাত কৰি।
হেন বেদ বাণী তত্ব হেন জানি
আসনতে সুখে থাকি।
আপোনাকো তাৰা পুৰুষ উদ্ধাৰা,
হৰি হৰি বোলা ডাকি।"—কীৰ্ত্তন।

"হৰিনাম হৰিনাম এ মূলমন্ত্ৰ।
কলিত নাহি তপ যজ্ঞ যন্ত্ৰ ॥"—কীৰ্ত্তন।

* * *

শঙ্কৰে বিভিয়াই বিভিয়াই কবলৈ ধৰিলে,—"কলিত যজ্ঞ পূজা হোম আদি কাৰ্য্য বৃথা ; হৰিনাম হে সাৰ। এনে হৰিনাম তোমাৰ ঘৰতে তোমাৰ আসনতে বহি সুখে লৈ বৈকুণ্ঠলৈ যোৱা ; ঈশ্বৰক বিচাৰি বনলৈ তপস্যা কৰিবলৈ যাব নেলাগে, কষ্ট ব্ৰত আদি কৰিব নেলাগে, জটা ভস্ম গেৰুৱা কাপোৰ কৌপীন পিন্ধি সন্ন্যাসীও হব নেলাগে। এই কথা বেদৰ ৰহস্য, উপনিষদ গীতা ভাগৱত আদি সকলো প্ৰকৃত শাস্ত্ৰৰ সাৰ। মই সেইবোৰ ঘাটিঘূটি পঢ়িশুনি চাই এই মহা মূলমন্ত্ৰ পাইছোঁ। এই মহাধন পাই অৱশ্যে মই অকলৈ ভোগ কৰি মহাসুখে সংসাৰ-সাগৰ তৰি যাব পাৰোঁ ; কত কত যোগী ঋষি সাধকে তাকে কৰি সংসাৰৰপৰা আঁতৰি নিৰলে বিৰলে বনত বাস কৰি ঈশ্বৰৰ ওচৰলৈ গৈছে ; কিন্তু মোৰ পক্ষে সেই দৰে যোৱা অসম্ভৱ, মই নোৱাৰোঁ ; কাৰণ লক্ষ লক্ষ অবোধ প্ৰাণী অবিদ্যা অজ্ঞানএন্ধাৰত পৰি কষ্ট পাব লাগিছে ; সিহঁতৰ বিনাই, মোৰে নিচিনা তেজ মঙহৰ শৰীৰ জীৱৰ এনে বিলাই দেখি, এনে ভৱৰোগৰ পীড়াত সিহঁতক প্ৰপীড়িত জৰ্জ্জৰিত দেখি, অথচ সেই ৰোগৰ মহৌষধ মোৰ হাতত থকা স্বত্তেও তাক নিদি, মই স্বাৰ্থপৰতাৰ আশ্ৰয় লৈ অকলৈ গুচি যাব নোৱাৰোঁ। যাবজ্জীৱন আসুৰিক দৰৱ দিয়া (quack) বেজৰ গুপ-নথকা আৰু বৰং নবীয়া বঢ়াই প্ৰাণ সংহাৰ হে কৰোতা বেজৰ দৰৱ খাই অভ্যাস

হৈ থকা ৰোগীয়ে আৰু quack বেজে বৰং মোৰ এই শাস্ত্ৰবিহিত ঈশ্বৰ কৃষ্ণৰ নিজ মুখ নিসৃত আৰু বাৰস্থিত ঔষধ মই দিবলৈ গলে মোক গালি পাৰিব, মাৰিবলৈ ওলাব; কিন্তু পাৰক, মাৰক, শাস্তি কৰক, অপমান কৰক, তথাপি মই এই শাস্ত্ৰসম্মত মহা ঔষধ ৰোগীক যাচিম, কাৰণ মই জানিছোঁ, অজ্ঞানতহে ৰোগীয়ে আৰু ৰোগীৰ মিছা বেজে তেনে ব্যৱহাৰ কৰিছে; মই সিহঁতক ক্ষমা কৰি, ঈশ্বৰৰ চৰণত নিবেদন কৰি কম,—"Father! they know not what they are doing". মোৰ ঔষধ আধুনিক অশাস্ত্ৰীয় ঔষধ নহয়। শাস্ত্ৰবিহিত ঔষধ হে মই নিজে শাস্ত্ৰ চাই উলিয়াইছোঁ। মোৰ ঔষধ যে প্ৰকৃত ঔষধ, ইয়াৰ সাক্ষী ব্ৰহ্মা, মনু, হৰ, কপিল, কুমাৰ, শুক, ভীষ্ম, বলি, যম, জনক, প্ৰহ্লাদ, নাৰদ আদি কৰি শ্ৰেষ্ঠ ভক্তসকলে দিছে; তোমালোকে মনা শাস্ত্ৰকে পঢ়ি চোৱা পাবা। তোমালোকে থিৰ হৈ মোৰে সৈতে আলোচনা বিচাৰ কৰি চোৱাঁ, যদি মই মোৰ কথা প্ৰমাণিত কৰি দিব নোৱাৰোঁ, মই ঘাটিম; মোক তোমালোকে খেদি দিবা, বজাক কৈ শাস্তি দিয়াবা, বা যি লাগে কৰাবা। কিন্তু তোমালোকে যত বাৰ চেষ্টা কৰি মোৰে সৈতে তৰ্ক আৰু বিচাৰ কৰিছা ততবাৰ মই তোমালোকক দেখুৱাই দিছোঁ যে মোৰ কথা মোৰ সিদ্ধান্ত সত্য, তোমালোকৰ অসত্য। প্ৰত্যেক বাৰেই তোমালোকে যুক্তি তৰ্কেৰে মোক বলে নোৱাৰি ভোটা হৈ গুচি গৈছা।"

মাধৱদেৱে ঘোষাত কৈছে,—

"বেদে ৰামায়ণে পুৰাণে ভাৰতে
আদি মধ্য অৱসানে।
হৰিকেসে মাত্ৰ কহয় নিশ্চয়
জানা তত্ত্ব এহি মানে॥"
"পৰম কৃপালু শ্ৰীমন্ত শঙ্কৰে
লোকক কৰিলা দয়া।
হৰিৰ নিৰ্ম্মল ভকতি প্ৰকাশ
কৰিলা শাস্ত্ৰক চাই।"



শঙ্কৰদেৱে যি শ্ৰৱণ কীৰ্ত্তন ভক্তিধৰ্ম্ম প্ৰচাৰ কৰিছিল সেই ধৰ্ম্ম যে আগেয়ে অজ্ঞাত হৈ আছিল এনে নহয়; কিন্তু সি গীতা ভাগৱত আদি সৰ্ব্বসাধাৰণৰ দুৰ্ব্বোধ্য সংস্কৃত শাস্ত্ৰত নিবদ্ধ হৈ আছিল; সৰ্ব্বসাধাৰণৰ নিমিত্তে (vast majority of people) অৰ্থাৎ সমাজৰ এশজনৰ ভিতৰৰ নিৰানব্বইজনৰ নিমিত্তে সি practically কাৰ্য্যত লুপ্ত বা গুপ্ত হৈ আছিল! সংস্কৃত শাস্ত্ৰজ্ঞসকলৰ অনেক বিচক্ষণ পণ্ডিতে সেই মহাবস্তু হৰিনামধৰ্ম্মৰ তত্ত্ব পাইছিল,—আন দেশতো আসাম দেশতো। কিন্তু সেই মহাবস্তু সেইসকলৰ সৰহভাগে নিজৰ অকলশৰীয়া ভোগৰ নিমিত্তে ৰাখি সৰ্ব্বসাধাৰণ প্ৰজাক কৰ্ম্মকাণ্ডপ্ৰধান আন ধৰ্ম্মতত্ত্ব হে শিক্ষা দিছিল, কাৰণ তেনে কাৰ্য্যত শিক্ষাদাতাসকলৰ অৰ্থাগম আৰু মান সৎকাৰৰ স্বাৰ্থ আছিল। তেওঁলোকে নিজলৈ "ওঁ" ৰাখি শূদ্ৰিক মাত্ৰ "নমো" "নমো" দিছিল। তেওঁলোকৰ ভিতৰতো যে এই স্বাৰ্থপৰতাৰ হেঙাৰ ডেই ওপৰলৈ যোৱা উদাৰ ওখমনৰ আৰু সৰ্ব্বসাধাৰণ প্ৰজাৰ মঙ্গলাকাঙ্ক্ষী শাস্ত্ৰজ্ঞ বৈষ্ণৱ ব্ৰাহ্মণ দুজন চাৰিজন নাছিল এনে নহয়; কিন্তু তেওঁলোকৰ উপদেশৰাশি সৰ্ব্বসাধাৰণৰ দুৰ্ব্বোধ্য আৰু সহজে দন্তস্ফুট কৰিব নোৱাৰা সংস্কৃত ভাষাৰ বাকলি আৰু খোলাৰে ঢকা আছিল, যি বাকলি আৰু খোলাৰ নিমিত্তে ভিতৰৰ নামামৃত সাধাৰণ প্ৰজাৰ দৈনিক জীৱনৰ উপভোগৰ বস্তু স্বভাৱতে হব নোৱাৰিছিল। উজনিত শঙ্কৰৰ সমসাময়িক পৰম পণ্ডিত ব্ৰহ্মানন্দ আচাৰ্য্য আৰু তেওঁৰ সহচৰ প্ৰাচীন পণ্ডিত ব্ৰাহ্মণ জনচেৰেকে শঙ্কৰদেৱৰ সৈতে বিচাৰত সেইবাৰে হৰিনাম আৰু বৈষ্ণৱ ভকত, দেৱ দেৱী পূজাতকৈ যে শ্ৰেষ্ঠ এই কথা শাস্ত্ৰসম্মত বুলি স্বীকাৰ কৰাটোৱেই আমাৰ ওপৰৰ কথাৰ সাক্ষী দিয়ে। কিন্তু সৰ্ব্বসাধাৰণৰ সহজ সুপ্ৰাপ্য কৰি, ভৱসংসাৰ তৰণৰ এই মহা উপায়, নিজৰ সুখ আৰু বিপদলৈ আওকাণ কৰি, জাতিধৰ্ম্ম নিৰ্ব্বিশেষে প্ৰচাৰ কৰি দি সকলো প্ৰজাৰ সুবিধা কৰি দিলে কোন কৃপালু মহাপুৰুষে? কোন (Great philanthrophist) জনহিতৈষীয়ে? উত্তৰত কবই লাগিব যে সেইজন মহাপুৰুষ শঙ্কৰদেৱ। সকলোৱে হৃদয়ঙ্গম কৰি আনন্দ উপভোগ কৰি, ঈশ্বৰৰ গুণযশ শ্ৰৱণ কীৰ্ত্তন কৰি, ইহকালত নিজৰ চৰিত্ৰ সুনিৰ্ম্মল সুগঠিত কৰি, নিজৰ পৰিয়াল পৰিজন গৃহ আৰু সমাজ সুশৃঙ্খল কৰি, গৃহতে থাকি অপ্ৰয়াসে

জীৱন্ত জাগ্ৰত ঈশ্বৰৰ অভয় চৰণ সেৱা আৰু ভজনা কৰি তৰি, পৰমেশ্বৰৰ অমৃত পদ লভি, নিজক আৰু পৰিজন পৰিয়ালকো ধন্য কৰিবৰ উপায় দিলে কোনে? সুমধুৰ অসমীয়া ভাষাত সুললিত ছন্দোবন্ধেৰে ঈশ্বৰৰ গুণশীল বিজড়িত নামধৰ্ম্মৰ গীত, পদ, কীৰ্ত্তন কৰি আনন্দেৰে সৈতে ঈশ্বৰৰ মহিমা উপভোগ কৰিবলৈ, নাট ভাৱনা কৰি জীৱৰ হিত সাধন কৰিলে কোনে? উত্তৰ দিব লাগিব, কৃপালু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। অকল পণ্ডিত বামুণ জনচেৰেক আৰু ৰজা মন্ত্ৰী পাত্ৰকেইজনেই এখন দেশৰ যথাসৰ্ব্বস্ব নহয়, বিৰাট জাতীয় জীৱনেৰে জীৱন্ত জাতি নহয়; ব্ৰাহ্মণৰেপৰা চণ্ডাললৈকে সকলো একেডাল ধৰ্ম্মসূত্ৰেৰে আবদ্ধ হলে হে এটা জাতি সম্পূৰ্ণৰূপে সংগঠিত হয়। ধৰ্ম্মৰ এই সূতাডাল জাতিৰ ভিতৰৰ প্ৰত্যেক শ্ৰেণীৰ মানুহৰ হিয়াৰ ভিতৰেদি নগলে জাতীয় জীৱনৰ জপমালা গ্ৰথিত নহয়। জাতীয়তাত জীৱন সঞ্চাৰ কৰি একতা-সূতাৰে মনুষ্য সমাজ গুথি এনে অসমীয়া জাতি আসাম-কামৰূপ-কোচবেহাৰত কোনে থিয় কৰিলে? কোনে আসামত হৰিনাম সঞ্জীৱনী মহামন্ত্ৰ কাণত শুনাই দি মৃতকৰ শৰীৰত প্ৰাণ সঞ্চাৰ কৰিলে? জাতীয় জীৱনত নিজৰ হীনাৱস্থা সততে সুমৰণ কৰি ম্ৰীয়মান, মুহ্যমান, বিবৰ্ণ, বিৰস হৈ থকা অসমীয়া ছত্ৰিশ জাতিক অভয় বাণী প্ৰদান কৰি সাম্য মন্ত্ৰৰ মাভৈঃ মাভৈঃ সুৰেৰে বিজয়-ভেৰী বজাই, কৰতোয়াৰপৰা দীকৰাইলৈকে সকলোকে কোনে সঞ্জীৱিত কৰিলে? কোনে নিজৰ প্ৰাণটো নিজৰ হাতৰ মুঠিত লৈ, অথচ নিৰ্ভয়ে, অসমৰ ছত্ৰিশ জাতিক বাপেকৰ স্নেহপূৰ্ণ মাতেৰে কলে "বোপাইঁত, তহঁতে ভয় নকৰিবি! মন মাৰি নাথাকিবি! তহঁতে ঈশ্বৰত শৰণাপন্ন হৈ হৰিনাম ল, সকলোৰে প্ৰতি সমান পৰম পিতা পৰমেশ্বৰে পৰকালত তহঁতক কোলাত তুলি লব, ইহকালতো তহঁতৰ মঙ্গল কৰিব। তহঁতে হৰিক ভজনা কৰি শুদ্ধ হ, নিশ্চয় তহঁত হৰিবিমুখ ব্ৰাহ্মণ ক্ষত্ৰিয়তকৈ পবিত্ৰ আৰু শ্ৰেষ্ঠ হবি; আৰু হৰিভক্ত ব্ৰাহ্মণৰ সমান দাবী পাবি।" আজি চাৰি শ বছৰৰ আগেয়ে কোন মহাপুৰুষে এই সাম্য মহামন্ত্ৰ উচ্চাৰণ আৰু প্ৰচাৰ কৰি অসমক আৰু অসমীয়াক ধন্য কৰিছিল? ব্ৰাহ্মণ কুলৰপৰা দামোদৰদেৱ,



হৰিদেৱ, বংশীগোপাল দেৱ, কায়স্থ কুলৰপৰা মাধৱদেৱ, নাৰায়ণ ঠাকুৰ, আদিক নিজৰ magnatic influence চুম্বকৰ নিচিনা আকৰ্ষণী শক্তিৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত অনুপ্ৰাণিত কৰি কোন ঈশ্বৰাংশসম্ভূত মহাপুৰুষে আসামত উদ্ধাৰৰ বাট দেখুৱালে? উত্তৰত শুনা,—আসামৰ ইমূৰৰপৰা সিমূৰলৈকে প্ৰতিধ্বনি উঠিছে,—"মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে!" শুনা, আসামৰ তৃণ তৰু লতা পৰ্ব্বত পৰ্য্যন্তই সজীৱ হৈ কৈছে,—"মহাপুৰুষ শঙ্কৰদেৱে।" শুনা হেৰা শুনা, মহাবাহু ব্ৰহ্মপুত্ৰই কুল্ কুল্ সুৰেৰে অহৰ্নিশে কব লাগিছে,—"সেইজন মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ, যাৰ বিনোদলীলালহৰী আজিলৈকে মোৰ বুকুৰপৰা মাৰ যোৱা নাই।" হেৰা আসামবাসী! আজি সেই মহাপুৰুষৰ তিথিত আহাঁ আমি মহাপুৰুষ মাধৱদেৱৰ ঘোষাৰ সুৰতে সুৰ মিলাই গাই ধন্য হওঁ—

"হৰি ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।
হেনয় কৃপালু শঙ্কৰ বিনাই
নাহি নাহি আৰ বন্ধু॥"

---

## দীঘলা কিনাৰাম।

ৰবৰুৱা ৰবচৰাত।

( বাপুৰাম ৰবাৰ প্ৰবেশ )

ৰবৰুৱা। ওলালাহি নে সঙুলি বিচাৰি?

বাপুৰাম। আজি সঙুলি বিচাৰি অহা নাই, আপোনাক এটা কথাৰ ভু দিবলৈহে আহিছোঁ।

ৰবৰুৱা। কি কথা?

বাপুৰাম। আমুকাই শৰ্ম্মাৰ পুতেক টিকিধৰ শৰ্ম্মাই এখন তুলাপাতত আপোনাক গালি পাৰি ছপাই বিলাইছে, আপুনি দেখিছে নে?

বৰবৰুৱা। “কুৰ্‌চোত্‌” নাই। আন কিবা কথা আছে যদি কোৱাঁ, আৰু নাই যদি মই মোৰ জীৱনচৰিত্ৰৰ সজুলি দিওঁ শুনা।

বাপুৰাম। নহয় বৰবৰুৱা ডাঙৰীয়া, বৰ বেয়া বেয়াকৈ গালি ( শ্ৰীবিষ্ণু, মই ভুলকৈহে গালি বুলিছোঁ, টিকিধৰৰ কলমৰপৰা ওলোৱাবোৰ গালিও নহয়, নিন্দাও নহয় হেনো, “অব্যক্তিগত” “নিৰপেক্ষ সমালোচনা” হে ) অৰ্থাৎ “সমালোচনা” পাৰিছে। বোলে আপোনাৰ ঠেক মন, অভদ্ৰ ভাব, প্ৰকৃত শিক্ষাৰ অভাৱ, আৰু আপুনি পৰনিন্দক, ঘৃণনীয়, আৰু ৰূপক গল্প লিখি জীৱনৰ আদখিনি কাল কটালে, ইত্যাদি।

বৰবৰুৱা। ইত্যাদি বেছ কৰিলোঁ, বেছ কৰিলোঁ, চুপ কৰাঁ, ইত্যাদি চুপ কৰাঁ। তোমাৰ আমুকাই শৰ্ম্মাৰ পুত্ৰ টিকিধৰ শৰ্ম্মাৰ কাকতখিলাৰ ইত্যাদি কথা আমাক নেলাগে, সামৰি থোৱাঁ। তুমিও তাৰে এখিলা পাইছা যদি আৰু মন যায় যদি, এ, বি, ৰেলৰ ৰেইটিংৰুমৰ কাষৰত থকা গা-ধোৱা থোটালিৰ বাৰত আৰি থৈ আহাঁগৈ, বাইজৰ আশীৰ্ব্বাদ পাবা। জীৱনৰ আদখিনি সময় মই ৰূপক গল্প লেখিয়েই যদি কটালোঁ, বাকীডোখৰো তাকে কৰি কটাওঁ বুলিছোঁ, সেই দেখি গল্প শুনা।

বাপুৰাম। বৰ, আপুনি পুৰণি কালত হেনো কাক্কবাক নাঙলু বুলাইছ; আজি টিকিধৰে দুপৰীয়া ভাত খাই উঠি সেই নাঙলুৰ শোকত হুনাওৰাৰে কান্দিছে।

বৰবৰুৱা। কান্দক, কান্দক, তোমাৰ মন গৈছে যদি তুমিও টিকিধৰৰ আৰু নাঙলুৰ ডিঙিত ধৰি কান্দা, তেনেহলে আমাৰ পুৰণি ফকৰাটো খাপ উঠিব। ফকৰাটো শুনিবা নে?

“দহাৰ দহদৈ, তিপামৰ ভাদৈ,
শলগুৰিৰ আথোণী বাই।
তিনিওবো ডিঙিত ধৰি তিনিও কান্দিছে,
সমন্ধত একোডাল নাই॥”

মই তাহানি এদিন তোমাক কৈছিলোঁ, তোমাৰ মনত থাকিব পায়, যে মোৰ নাঙলু অমৰ। অৰ্থাৎ “A King can not die” সেইদৰে নাঙলুও can not die। এটা নাঙলু বুঢ়া বা নদীয়া হৈ মৰিলে, তেতিয়াই



উত্তৰাধিকাৰী নাঙলু ওলাই কৃষি কাৰ্য্যত প্ৰবৃত্ত হয়; হাল খতি নহয়,—আন কি শঙ্কৰদেৱৰ তিথিৰ দিনাও নহয়। এতিয়া তোমাৰ বকলা সামৰা, মোৰ বকলা মেলোঁ। ডেৰকুৰি বছৰৰ অনেক আগৰ কথা। তেতিয়া মোৰ নামৰ মূৰত পাগুৰী আৰু ভৰিত পইজাৰ নাছিল; অৰ্থাৎ তেতিয়া মোৰ নামৰ আগত এতিয়াৰ নিচিনাকৈ মহামান্য বা মাননীয় এই শাৰীৰ কোনো শবদো নাছিল, আৰু পিছতো বৰবৰুৱা উপাধি, এই দুই বাধিও নাছিল। মোক ঘৰত পৰত বাহিৰত ভিতৰত সকলোৱে কৃপাবৰ এই নাওঠা নামটোৰেই হেপাহ পলুৱাই মাতিছিল, আৰু তাতেই মই হেপাহ পলুৱাই সন্তোষ পাইছিলোঁ। সেই পুৰাকালত মোৰ মূৰত এডাল টিকনি আছিল, সি পুৰাকুঁহিয়াৰডাল যেন খামোচে পোৱা ডাঙৰ আৰু হাতীৰ নেজডাল যেন দীঘল আছিল, আজিকালিৰ তোমাৰ টিকিধৰ শৰ্ম্মাৰ টিকনিৰ নিচিনা মণিৰ নোৱাৰা মিহি আৰু চুটি নাছিল। তেতিয়া যি কামকে কৰিছিলোঁ তাকে এৱাগুধীয়াকৈ কৰিছিলোঁ, তাত এতিয়াৰ নিচিনা তককতাৰ পানী মিহলি নাছিল। এতিয়া তোমাৰ টিকিধৰহঁতে টিকনি ৰাখে এনে ভাৱে যে সিহঁত ইংৰাজ বা বঙালীৰ ওচৰলৈ গলে, বুকলিখৰৰ মাজত নেজে সৈতে শ লয়া লুকাই থকাদি টিকনি লুকাই থাকে, আৰু সিহঁত প্ৰাচীন ব্ৰাহ্মণ পণ্ডিতৰ সমীপৱৰ্ত্তী হলে, বটানিৰ মাজৰপৰা ফেচুলুকাৰ নেজ নাচি নাচি ওলোৱাদি সেইডাল নাচি নাচি ওলায়। মই জানিছিলোঁ, টিকনি ৰাখিছোঁ তো ভালকৈ ৰাখিব লাগে, লুকঢুক কৰিব লাগে তাৰ ভু নেপাইছিলোঁ। এদিন মোৰ মনত আছে, মোৰ টিকনিডাল কিমান দীঘল হৈছেহি জুখি চালোঁ। দেখিলোঁ ওঠৰ-আঙ্গুল-আদ-আঙ্গুল। মই সৰুৰেপৰা জোখমতে চলা মানুহ, সেইদেখি ভাবিলোঁ, টিকনিডাল হয় ওঠৰ আঙুলতে থাওক, নহয় উনৈশ আঙ্গুল হওক, স্বৰ্গ আৰু পৃথিবীৰ মাজতে থকা হৰিশ্চন্দ্ৰ ৰজাৰ নিচিনাকৈ দুইৰো মাজতে সি থকাটো কি কথা! এই কথা মনত খেলোৱা মাত্ৰকতে মই তামোলৰ বটাৰপৰা তামোলকটা দা খন আনি টিকনিডালৰ আদ আঙ্গুল আগ কাটি পেলালোঁ। কিন্তু বৰা, দুখৰ কথা তোমাক কি কম, সেই দিনা এই দৰে টিকনিৰ আগ নাকাটি মোৰ গাৰ আগ ডোখৰ অৰ্থাৎ মূৰটো কাটি থোৱাহঁতেনেই কিজানি ভাল আছিল; কাৰণ,

মোৰ সেই দৰে টিকনি ছেদনৰ কথা অভিভাবকৰ কৰ্ণগোচৰ হলত, মই গায়ত্ৰীৰে শিখা বন্ধা টিকনিত কটাৰী লগোৱা অপৰাধত অপৰাধী হৈ গা জোৰাকৈয়ে প্ৰহাৰ খালোঁ। যি হওক, সেই দিনাৰ টিকনিৰপৰা মোৰ শিকনি হল, মই আৰু তেনে অধৰ্ম্ম কাৰ্য্য নকৰোঁ বুলি সৈ কাঢ়িলোঁ।

ইয়াৰ পিছত আৰু এটা শোচনীয় কাৰ্য্য মোৰ জীৱনত ঘটিছিল। আমি পঢ়া স্কুলৰ পণ্ডিতজনৰ নবীয়া হোৱা বাবে তেওঁৰ কামত এনাইলৈ একটিং কৰিবলৈ শ্ৰীযুত বেঙেৰা শৰ্ম্মা পণ্ডিত আহিল। তেখেত প্ৰথম দিনা সৰ্ব্বসাধৰণ চুৰিয়া কাপোৰ পিন্ধি-উৰিয়েই স্কুললৈ আহিছিল ; কিন্তু দ্বিতীয় দিনা মোৰ দুৰ্কপালৰ গুণে এখন মকৰা মুগাৰ চুৰিয়া—সম্ভৱতঃ সেই দিনাই জপাৰপৰা উলিয়াই, কাৰণ তাত জপাৰ ভাঁজৰ সাঁচ দেখিছিলোঁ।—পিন্ধি আহি আমাৰ "ক্লাচত" বহিলহি। আমাৰ শ্ৰেণীতে কলিংকপিং নামেৰে দুষ্ট লৰা এটা আছিল ; মোৰ দুৰদৃষ্টৰ নিমিত্তে সি সেই দিনা মোৰ ওচৰতে বহিছিল ! আমাৰ ন পণ্ডিত আহি চকিত বহিলতে, কলিংকপিঙে লাহেকৈ মাত লগালে "আজি আমাৰ 'চাৰে' (sir) মুগাৰ ৰবচুৰিয়া পিন্ধি আহিছে।" এই কথা পণ্ডিতৰ কাণত পৰিলতে, খঙত তেওঁৰ মুখখন ৰঙা পৰি গল। তেওঁ—নিশ্চয় ভুলকৈ—মোৰ ফালে চাই কলে "হেৰ, তোৰ বাপেৰৰ ঘৰৰ মুগাৰ চুৰিয়া মই পিন্ধিছোঁ নে ?" মই কলোঁ "চাৰ, মোৰ ওপৰত খং কৰিছে কেলৈ, মইতো নাই কোৱা।" অধাইটং কলিংকপিঙে নিজৰ পিঠিৰ ছাল সকৰাবলৈ ততালিকে মাত লগালে "হয় চাৰ, সেই জনেহে ( অৰ্থাৎ কুপাৰামে ) কৈছে, মই শুনিছোঁ।" যি হওক, সেই ঘটনা সেই দিনা সেই খিনিতে ওৰ পৰিল। কিন্তু পণ্ডিতৰ মনৰপৰা মোৰ প্ৰতি ক্ৰোধৰ ভাব নগৈ আৰু বদ্ধমূল হৈ যে হল তাৰ চিন দিনে দিনে মই পাই আহিবলৈ ধৰিলোঁ। তেওঁ সদায় মোক বিনাদোষতে বা অলপ দোষতে থিয় কৰি দিয়ে আৰু ডাবিত স্মৰাস্মৰ কঁপায়। তেওঁৰ ভয়ত মই দুদিন এদিন স্কুললৈ নহাকৈ আছিলোঁ ; কিন্তু, সেই বাবে ঘৰত ডাবি খাওঁ দেখি মই নিৰুপায়ত পৰি, যি থাকে কপালত বুলি, স্কুলতে বহি থাকিবলৈ ধৰিলোঁ আৰু ভয়ত পঢ়া-শুনা মোৰে সৈতে সতিনীৰ দাঁহ যেন হল।



এনে সময়তে এদিন শুনিলোঁ যে মোৰ পিতৃদেৱতা আমাৰ গুৰুঘৰৰ সত্ৰলৈ যাব। আমাৰ খঙাল ন পণ্ডিতৰ হাতৰপৰা ৰক্ষা পৰিবৰ মনেৰে পিতৃদেৱতাক কুতুবি কুতুবি মোক তেওঁৰ লগত লৈ যাবলৈ ধৰিলোঁ। তেওঁ সম্মত হল, মই উশাহ পালোঁ, আৰু দূৰৰপৰা লুকাই বেঙেৰা পণ্ডিতক মোৰ বুঢ়া আঙ্গুলিটো উলিয়াই দেখুৱালোঁ, অৱশ্যে তেওঁ দেখিবলৈ পালে নে নেপালে মই কব নোৱাৰোঁ।

তেতিয়া আসামত ডাক-জাহাজ চলা নাছিল ; সেইদেখি আমি নাৱেৰে গৈ সত্ৰ পালোঁ গৈ। আমি বাটত নাৱেৰে ভটীয়াই যাওঁতে, নেপুৰ পিন্ধি দেৱতাৰ সভাত জুমুৰা নাচ নচা ৰূপহী বিদ্যাধৰীৰ নিচিনা নৈৰ নাচোনে, আৰু সেই ৰূপহী নাচনীৰ ঘূৰণীয়া হাতত শঙ্খৰ খাৰুৰ নিচিনা পাৰৰ বগা বালিয়ে, আৰু নাচোতে নাচোতে মুকলি হৈ, খামোচাৰ্য্য কৰাল পাৰ হৈ গৈ, নীলাম্বৰী কাপোৰেৰে ঢকা নিপুতল তপিনাত পৰা চুলিৰ নিচিনা গৰাৰ নল-খাগৰি-ইকৰাৰ মনোহৰ দৃশ্যৰ নবীন শোভাই মোৰ নবীন হিয়াক কেনেকৈ অধিকাৰ কৰিছিল সেই কথা আজি তোমাক নকওঁ ; তুমি যদি জীৱনত তেনে অৱস্থাত কেতিয়াবা পৰিছিলা, তেন্তে নিজেই তাক অনুমান আৰু অনুভৱ কৰি লোৱাঁ। মোৰ হলে, সেই অনুপম দৃশ্য আৰু মনোহৰ সৌন্দৰ্য্যৰপৰা ওপজা সন্তোষৰ সোঁৱৰণিয়ে আজিলৈকে হৃদয়ৰ চুক এটা শ্যামল বিমল সুশীতল সুমঙ্গল কৰি ৰাখিছে।

সত্ৰত যি কেইদিন আছিলোঁ, সেই কেইদিনৰ বহল বা চমু বিবৰণ দিবৰ অভিপ্ৰায়ত আজি মই এই আখ্যানৰ উত্থাপন কৰা নাই। মুঠতে কওঁ, যে সাধু ভকতসকলৰ সঙ্গ, কীৰ্ত্তন ঘৰত নানা সুমধুৰভাৱে কৰা হৰিনাম কীৰ্ত্তন, তাল খোল আদিৰ সহায়তাৰে সৈতে ঈশ্বৰৰ গুণ নামৰ সুললিত গীত ভটিমা শুনি মোৰ লৰাকলীয়া নিভাঁজ মনত যে কি আনন্দৰ কল্লোল উঠিছিল, তাক মই প্ৰকাশ কৰি আজি তোমাৰ আগত কবলৈ অপাৰগ। সত্ৰৰ সাধুসকলৰ সঙ্গ আৰু হৰিভক্তিৰ বিমল প্ৰেমৰ সাঁচ মোৰ মনত চিৰকলীয়া হৈ বহি ৰৈছে, কেতিয়াও কোনো কালে মচ নাখায়। এদিন গধূলি, মহাপুৰুষ শঙ্কৰদেৱৰ ৰচিত

"বলহু ৰাম নামেসে মুকুতি নিদান।"

এই গীতটি কীৰ্ত্তন-ঘৰত গায়নে গোৱা শুনি, আৰু আবেলি প্ৰসঙ্গৰ অন্তত মহাপুৰুষ মাধৱদেৱৰ—

"হৰিৰ নামৰ ধ্বনি লাগি, পলাই পাপ দশো দিশে ভাগি,"

এই ঘোষাফাকি গোৱা শুনি মোৰ মনটো এনে পাতল লাগিল, আৰু অন্তৰলৈ এনে এটি পবিশুদ্ধিৰ ভাব আহিল যে মই মোক এই পৃথিবীৰ অনেক ওখত দেখিলোঁ।

এনে আনন্দৰ ভিতৰতে এদিন পিতৃদেৱতাই কোৱা শুনিলোঁ যে আমি তিন দিনৰ মূৰত সত্ৰ এৰি ঘৰমুৱা হমহঁক। কথাটো শুনিবৰেপৰা মোৰ মনটো বিষাদ-ডাৱৰে ঢাকি পেলালে। হায়! এনে ঠাই এৰি গৈ আকৌ সেই বেঙেৰা পণ্ডিতৰ পালত মই পৰিবগৈ লাগিব! কিন্তু মই পাহৰিছিলোঁ যে, সেই পণ্ডিতে এমাহলৈহে এক্টিং কৰিছিল; আৰু আমি উভতি ঘৰ পোৱা কালত তেওঁৰ মুগাৰ চুৰিয়াৰ ফেৰ আমাৰ স্কুলৰ ক্লাচৰ চকিত, আৰু দাত মুখ কামুৰি মোৰ ফালে চোৱা বেকেতা মুখ আৰু নেদেখোঁ। যি হওক, দুখৰ টোপোলা মনতে বান্ধি থৈ দিলোঁ, আৰু আমাৰ আহিবৰ দিন পালেহি।

মোৰ আখ্যানটোৰ মাজ কথাৰ ওচৰত এতিয়াহে ওলালোঁহি। আমি তাত থকা কেইদিনত আমাৰ বহাৰ ঘৰৰ পিৰালিতে এটা ভতুৱা কুকুৰ আছিল; আমাৰ চুৰাপাতনিত পেলাই দিয়া ভাত-চাত যি পায় তাকে খাই সি তাতে পৰি থাকে। তাক দেখি মোৰ কি কথা কব নোৱাৰোঁ, বৰ মৰম লাগিছিল। সেইদেখি মই মোৰ পাতত ভাত দিনো সৰহকৈ এৰি থৈ তাক দিছিলোঁ, সি কৃতজ্ঞতাৰ চকুৰে মোলৈ চাই নেজ জোকাৰি দিনো সেই ভাত খাইছিল। আমাৰ ধৰ্ম্মৰ অনুশাসন আৰু শিক্ষা,—কুকুৰ অস্পৃশ্য, তাক চুলে গা ধুব লাগে। সৰুৰেপৰা মোৰ সংস্কাৰো তেনে; সেইদেখি কুকুৰটোৰ প্ৰতি মোৰ, আৰু মোৰ প্ৰতি কুকুৰটোৰ এনে হৃদ্যতাৰ ভাব থকা স্বত্তেও আমি কোনো কাৰো ওচৰ চাপিব নোৱাৰিছিলোঁ। কুকুৰটোক তাৰ বহুদৰ্শিতা-জ্ঞানে শিক্ষা দিছিল, যে সি অপবিত্ৰ; আমাৰ নিচিনা পবিত্ৰ মানুহৰ ওচৰলৈ আহিবৰ তাৰ অধিকাৰ নাই; সেইদেখি সি মোৰ বৰ ওচৰলৈ নাহিছিল।



আহিবৰ আগ দিনা কুকুৰটোক মই আন দিনাতকৈ আৰু সৰহকৈ ভাত নিজ হাতে দিলোঁ; কিন্তু সি কি বুজিছিল কব নোৱাৰোঁ, সেই ভাতত মুখকে নিদিলে। মই ঔচ, ঔচ, খা, খা কৈ তাক কত মাতিলোঁ, সি ভাতৰ কাষলৈকে নাহিল। মোৰ মনত সৰুৰেপৰা বদ্ধ খাই থকা সংস্কাৰৰ কৱাল তৎক্ষণাৎ এৰাই গল, মই থাকিব নোৱাৰি লৰি গৈ তাৰ মূৰত হাত ফুৰালোঁ, সি আনন্দত গদ্গদ হৈ মোলৈ চাই নেজ লৰাবলৈ ধৰিলে। কিন্তু ঠিক তেনেতে আমাৰ দুইৰো পক্ষে এটি দুৰ্ঘটনা ঘটিল,—যথা, মোক সেই দৰে কুকুৰ ছোৱা অৱস্থাত পাঠক আতৈ নামে আদহীয়া ভকত এজনে দেখিলে আৰু তেওঁ মোক ততালিকে গা ধুই শুচি হবৰ ব্যৱস্থা দি, কুকুৰটোৰ গাত এটা ফৰমুটি মাৰি দি তাক তাৰপৰা খেদাই দিলে। দলিটো ডাঙৰ আৰু বলেৰে মৰা হৈছিল। তাৰ গাত দলিটো পৰাত সি দলি খাই বৰ দুখ পাই কেং কেং কৰি উঠি গল, আৰু মই কুকুৰ ছোৱা কথাটো মোৰ পিতৃদেৱতাক নকবলৈ পাঠকক খাটি, নৈত গা ধুবলৈ গলোঁ।

আহিবৰ আগ দিনা সত্ৰতে পুৱাৰ সাজ ভাত খাই লৈ দুপৰীয়া আমি নাৱত উঠিলোঁহিক। নাও মেলি দিয়া হল। কিন্তু সেই দিনা পুৱা সত্ৰৰ বহাৰ ওচৰত মই কুকুৰটো দেখিবলৈ পোৱা নাছিলোঁ। সেইদেখি ভাবিছিলোঁ, আগদিনা সি ডাঙৰ ফৰমুটিৰ কোব খাই দুখ পাই তাৰপৰা কৰবালৈ গুচি গল। সত্ৰ এৰি অহা, কুকুৰটো এৰি অহা, আৰু তাতোতকৈ, ঘৰলৈ আহি আকৌ স্কুলত সেই বেঙেৰা পণ্ডিতৰ সহৰ হোৱা, এই তিনটা বেজাৰত মই ভঁয় পৰি নাৱৰ চৰণতে বহি আছিলোঁ।

ঘাটৰপৰা এটা মোচৰ নাও গৈছে, এনেতে দেখা পালোঁ সেই কুকুৰটো! সি নৈৰ পাৰে পাৰে আমাৰ নাৱৰ পিছে পিছে আহিছে! আমাৰ নাও পাৰৰ ওচৰৰপৰা আঁতৰ নৈৰ মাজৰ ফালে গলে সি বৰকৈ ভুকিবলৈ ধৰে। মোৰ মনত বৰকৈ মায়া সম্পজিল, মই পিতৃদেৱতাক কলোঁ "দেউতা, কুকুৰটো নাৱত তুলি লওক।" দেউতাই আমাৰ প্ৰতি কুকুৰটোৰ তেনেকুৱা আসক্তিৰ ভাব আৰু মোৰো তাৰ প্ৰতি স্নেহ দেখি, কথাটো বুজি যদিও মোৰ প্ৰাৰ্থনাৰ ফালে আদখিনি ঢাল লৈছিল, তথাপি অলপ ভাবি তেওঁ কলে "সি হব নোৱাৰে। কুকুৰ ছুব নেপায়; তাক নাৱত তুল

কেনেকৈ নিবি ? নাৱত ঠাঁয়ো নাই। তাৰ উপৰি, থানৰ ভকতৰ কুকুৰ ; তাক নিবৰ আমাৰ কি অধিকাৰ আছে ?" মই মনে মনে থাকিলোঁ। কিন্তু আমাৰ নাৱৰ সকলোৱে দেখি আচৰিত মানিছিল, আৰু তুমিও শুনি আচৰিত মানিবা, যে সেই দিনা গধুলিলৈকে সেই কুকুৰটো আমাৰ নাৱৰ পিছে পিছে ভুকি ভুকি গৈ আছিল। একো একো ঠাইত আমাৰ নাৱে পাৰি দি নৈৰ সিটো পাৰৰ কাষেৰেদি গলে, সি তাৰ জীৱনলৈ এক তিল মাত্ৰও নাভাবি সাতুৰি সিপাৰ পাইছিল গৈ আৰু আকৌ আগৰদৰে নাৱৰ পিছ ধৰিছিল।

গধূলি আমাৰ নাও এটা বালিত বন্ধা হল। এন্ধাৰ হৈ আহিল। কুকুৰটো আমি নেদেখা হলোঁ, আৰু তাৰ ভুক-ভুকনিও নুশুনা হলোঁ। সম্ভৱতঃ সি ভাগৰি হতাশ হৈ কৰবাত পৰি বল ; অথবা বাটৰ কোনোবা কুকুৰে তাক কামুৰি মাৰিলে ; আমাৰ নাৱৰ সকলোৱেও এনে সিদ্ধান্তকে কৰিলে ; আৰু মই এন্ধাৰত দুটোপা এটোপা চকুৰ পানী টুকিলোঁ।

সত্ৰত থকা কেই দিন মোৰে সৈতে এটি ভকতৰ লৰাৰ চিনাকি হৈছিল। মই ঘৰ পাই, সেই ভকতৰ লৰাটিলৈ চিঠি এখন লেখি সেই কুকুৰটোৰ কথা সুধিলোঁ। উত্তৰ আহিল—"আপোনাসকল যোৱাৰ দুদিনৰ পিছত সেই কুকুৰটো কৰবাৰপৰা শুকাই খীণাই লেবেলা হৈ ঘা-চা লাগি ইয়াত ওলাইছিলহি। সি সেই দিনা আগৰ ঠাইতে পৰি আছিল ; কিন্তু তাৰ পিছ দিনা তাক তাতে মৰি থকা পোৱা গল। এটা বৰ আচৰিত কথা, যে সেই ৰাতিয়েই আমাৰ দেউৰী আতৈয়ে এটি সমাজিক দেখিলে যে, দীঘলা কিনাৰাম নামেৰে ভকত এজনে, সত্ৰৰ হাটীয়ে হাটীয়ে, ভকতৰ দুৱাৰদলিয়ে দলিয়ে সেৱা কৰি ফুৰিছে। দেউৰী আতৈয়ে সেই ভকত জনক দেখি আচৰিত হৈ শুধিলে "সেই জন দীঘলা কিনাৰাম আতৈ নে ? তুমি কৰপৰা ওলালাহি" ? তোমাৰ এই সত্ৰতে আজি দুবছৰৰ আগেয়ে শৰীৰ পৰিছিল নহয় ?" দেউৰী আতৈৰ চৰণত সেৱা কৰি ভকতজনে কলে "এৰা, মই মৰি কুকুৰ হৈ সেই বহাৰ কাষতে আজি এই দুবছৰ আছিলোঁ। এতিয়া তোমোলোকসবৰ চৰণৰ ধূলাৰ প্ৰসাদত কীৰ্ত্তন ঘৰৰ নাম প্ৰসঙ্গ শুনি থাকি মোৰ মুক্তি হল। মই এতিয়া যাওঁ হে। মোলৈ



সোৱা বিমান আহিছে !" দেউৰী আতৈয়ে সমাজিকতে শুধিলে—"তুমি নো কি পাপত এনে কুকুৰ জনম পাইছিলা ?" তেওঁ কলে, "সবহ কথা কবৰ মোৰ সময় নাই। মুঠতে কওঁ, মই ভাল ভাল ভকতক অহয়া আৰু নিন্দা কৰিছিলোঁ। তাৰ উপৰিও মোৰ এটা বৰ দোষ ঘটিছিল, যে হৰিনাম-ৰত্নৰ বেহাতকৈ মহ খুটিৰ মহ, গোহালিৰ গৰু আৰু পথাৰৰ মাহ সৰিয়হৰ বেহাত বেছিকৈ মন দিছিলোঁ।" এই বুলি দীঘলা কিনাৰাম খন্তেকতে অদৃশ্য হল। এই সপোনৰ কথা আমাৰ অধিকাৰ পুৰুষে শুনি, গামোছা নিৰ্ম্মালি দিয়াই কুকুৰটিৰ শৰটো থানৰ বাটচৰাৰ কাষত পোটাই থোৱালে।"

বাপুৰাম।—বৰবৰুৱা ডাঙৰীয়া, এটা কথা সোধোঁ, বোলোঁ আপোনাৰ বেজৰা পণ্ডিতেৰে সৈতে এই টিকিধৰ শৰ্ম্মাৰ কিবা সম্পৰ্ক আছে নে ?

বৰবৰুৱা।—তোমাক টিকিধৰে খালে দেখিছোঁ ! তুমি টিকিধৰ টিকিধৰ কৰিয়েই মৰিলা। সম্পৰ্ক আছে নে নাই, তুমি বিচাৰি উলিয়াই লোৱাঁ গৈ ; মোৰ "ফুৰ্ চুত্" নাই। এতিয়া উঠোঁ।

---

# তন্ত্ৰব্যাখ্যাৰ পৰিশিষ্ট।

( ২ )

ইয়াৰ বাহিৰেও অষ্ট্ৰেলিয়া আদি দ্বীপবিলাকত যে নিজাপি মানুহ অনেক দেখা যায় সেইবিলাকো কি আদম আৰু ঈভৰ সন্তান ? এনে কথা কেতিয়াও যে সম্ভৱ নহয় বিজ্ঞানেই তাক প্ৰমাণ কৰে। অৱশ্যে মানুহক ইশ্বৰে যে একে স্বৰূপ আৰু একে ৰকমৰ বৃত্তি দি সৃষ্টি কৰিছে তাৰ ভুল নাই। হে মানুহ, তুমি যিমান কি ডাঙৰ পণ্ডিত হোৱা আৰু যিমান কি জ্ঞানী আৰু বুদ্ধিমান হোৱা তথাপি তুমি মূৰ্খ অজ্ঞান, তোমাৰ সাধ্য কি তুমি আদি কৰপৰা হল অন্ত কিহত হব তাক বুজিব পাৰা। যি মানুহে নিজে লিখা পঢ়া শিকি পণ্ডিত হলোঁ বুলি অহঙ্কাৰ কৰি আনক মূৰ্খ বুলি ঘিণ কৰে তেওঁ বৰ বিনোদৰ পাত্ৰ। হে মানুহ, এই পৃথিবীত মানুহ সৃষ্টি হোৱা লাখে লাখে কত লাখ বছৰ হৈ গৈছে তুমি তাৰ তত কি

ধৰিব পাৰা। প্ৰলয়ৰ উপৰি এই পৃথিৱীত কত জাতিয়ে বাস কৰিছিল আৰু কত জাতি অতি ওখ জ্ঞানী আৰু সভ্য আছিল যে তাৰ তুমি কি বুজ পোৱা। তুমি লৰাকালত সপোনত কোৱা কথাৰ দৰে পৰম্পৰ শুনাত মনু মুৰা নউৱাৰ দিনত পৃথিৱী এবাৰ জলপ্লাৱিত হৈ বুৰি গৈছিল বুলি মাত্ৰ জানিব পাৰিছা। এইটি শেহৰ জলপ্লাবন, এনে কেইটি বা জলপ্লাবন হৈ এই পৃথিৱীৰ মহাপ্ৰলয় হৈ মানৱ ইতিহাসক একেবাৰে পাহৰণিৰ পেটত সুমুৱাইছে তাক তুমি কিজানা। কত মহাসমুদ্ৰ ভূঁইকঁপত মাটি উঠি মহাদেশ হল, কত মহাদেশ একেবাৰে ৰসাতললৈ গৈ মহাসমুদ্ৰ হল, এনেবিলাক মহান পৰমেশ্বৰৰ লীলাৰ তত মানুহে কি সাধ্য ধৰিব পাৰে। মানৱজাতিৰ বুৰঞ্জীৰ আচল বয়স আজিলৈকে ২০০০ হাজাৰ বছৰতকৈ প্ৰায় বেছি নহয়। এইখিনি দিনৰ কথা আজিকালি সভ্য জগতৰ মানুহে ঠিকঠাককৈ কব পাৰে। কিন্তু ইয়াৰ উপৰি যি বুৰঞ্জী পোৱা যায় সেইবিলাক কল্পনাৰে গৈতে ভৰা পুৰাণ। তথাপি জলপ্লাৱনৰ দিনৰ পিছ ডোখৰৰপৰা মানুহৰ ইতিহাস যি পুৰাণৰূপে পোৱা যায় তাৰপৰা কল্পনাৰ বাহুখিনি আঁতৰাই চালে তাতো সত্যৰ অনেক আভাষ দেখিবলৈ পোৱা যায়। হিন্দু, মেচপটামিয়া ( Mesopotamia ), মিছৰ ( Egypt ) আৰু চীন ( China ) এই চাৰিটি জাতি অতি পুৰণি সভ্য জাতি। ইয়াৰ ভিতৰৰ মেচপটা মুয়াৰ জাতিবিলাকৰ ভিতৰৰ বেবিলিয়ান, নিনেভ, চিৰিয়া, এচিৰিয়াৰ আৰু মিছৰৰ নাম একেবাৰে আজিকালি হুনাম, গ্ৰীচ আৰু ৰোমৰো নাম নাইকিয়া হল। সেইদৰে কাৰ্থেজ আৰু ফিনিচিয়ান আদি সভ্য জাতিৰ নাম লোপ হল। সেইবিলাকৰ ভেটিত এতিয়া নতুন জাতিয়ে ঘৰ কৰিলেহি। কিন্তু হিন্দু আৰু চীন জাতিয়ে আজিলৈকে কোনো মতে ধিপ্লিং ধিপলিং কৰি আছে। ইয়াৰ ভিতৰত চীনে যদিও দন্দ-খৰিয়াল লগাই ধিপলিং ধিপলিং কৰি আছে তথাপি আনৰ মুখৰফালে বাট নেচাই কোনো মতে নিজৰ ভেটিটি ৰক্ষা কৰি আছে। কিন্তু হিন্দুৰ দশা হলে তেনে নহয়, হিন্দুবিলাক একেবাৰে বঙাল (Degraded) হৈ পৰিল; তাৰ মূলত ঘাই ৰোগ জাতিভেদ আৰু ধৰ্ম্মৰ দোকান পাতি বেচা কিনা কৰা। মেচপটামিয়া বা কালডিয়াৰ বুৰঞ্জী পঢ়িলে দেখা যায় সেইবিলাক জাতিৰ সভ্যতা প্ৰায়



খৃষ্টপূৰ্ব্ব ৬।৭ হাজাৰ বছৰৰ ওপৰৰ। ঈজিপ্ট বা মিছৰৰ বুৰঞ্জী পঢ়িলেও পোৱা যায় সেই জাতিৰ সভ্যতা প্ৰায় ৪।৫ হাজাৰ খৃষ্টপূৰ্ব্ব বছৰৰ। ইতিহাস তত্বজ্ঞ পণ্ডিতসকলে কয় যে মিছৰ জাতিটি কৰপৰা আহি নীল নদীৰ পাৰত সেইকালত প্ৰায় বৰ্ত্তমান সভ্যজাতিবিলাকৰদৰে আদিতে ইমান সভ্য হৈ উঠিছিল ভাবিলে আচৰিত হব লাগে। মিছৰ জাতিৰ সম্বন্ধে নানা ঋষিৰ নানা মত। কোনোৱে কয় মিছৰ জাতি ইথিয়পিয়ান ( Ethiopean ) অৰ্থাৎ মধ্য আফ্ৰিকাৰ ধুমকলা নিগ্ৰো আদি জাতিৰ অন্তৰ্গত; কোনোৱে কয় সেই জাতি মেচপটামিয়া অৰ্থাৎ মধ্য আৰু চুক আচিয়া বা জম্বুদ্বীপৰ জাতিবিলাকৰ এটি মিহলি জাতি। কিন্তু হিৰিণ ( Heeren ) প্ৰভৃতি জনদিয়েক বৰ্ত্তমান জাতিতত্ববিদ পণ্ডিতে হলে ডাঠি কয় যে ঈজিপ্ট বা মিছৰ জাতি ভাৰতবৰ্ষীয় জাতিবিলাকৰ অন্তৰ্গত। "Heeren believed and some more modern investigators have contended, the skulls of the Egyptians and those of the Indian races of antiquity as preserved in the tombs of the respective countries have a close resemblance to one another." ভাৰতবৰ্ষৰ আৰ্য্যাবৰ্ত্তৰ ফালৰপৰাই হোক বা উত্তৰ-কুৰু ( ইলাবৰ্ত্ত ) হিমালয়ৰ সিপাৰৰপৰা উত্তৰ মেৰুৰ ওচৰলৈকে মধ্য আচিয়াৰ আদিম হিন্দু আৰ্য্য জাতিৰ স্থানৰেইপৰা হোক, মিছৰ দেশত যে হিন্দুজাতিৰ সভ্যতাই পোনতে বিস্তাৰ কৰিছিল তাৰ প্ৰমাণ পুৰাণতো বিচাৰিলে ওলায়। এই হিন্দুজাতি যে জলপ্লাবন বা প্ৰলয় হোৱাৰ আগতে মেৰুৰ ওচৰত বাস কৰিছিল তাৰ প্ৰমাণ একপ্ৰকাৰ আমাৰ পুৰাণতো দেখিবলৈ পোৱায়। প্ৰলয়ৰ আগতে প্ৰিয়ব্ৰত ৰজাৰ ৰাজ্য উত্তৰ মেৰুকে ধৰি তাৰ ওচৰৰপৰা আছিল, তাতে আদিতে আৰ্য্যজাতিৰ পূৰ্ব্বপুৰুষসকলে বাস কৰিছিল। পুৰাণত পোৱা যায় যে প্ৰিয়ব্ৰত ৰজাই ৰথেৰে সৈতে মেৰু প্ৰদক্ষিণ কৰি ঘুৰোতে তেওঁৰ ৰথৰ চকৰিৰ দাগেই সমুদ্ৰ হৈ পৰিল। এইখিনিতে প্ৰিয়ব্ৰত ৰজাৰ ৰথৰ চকৰিৰ দাগত সমুদ্ৰ হোৱা কথাটি নপতিয়াই প্ৰিয়ব্ৰত ৰজা এজন যে আছিল আৰু তেওঁৰ ৰাজ্য মেৰুপৰা ধৰি তাৰ ওচৰত আছিল যে তাক পতিয়াবলৈ টান নহয়। এই দৰে পুৰাণবিলাক পিলিকি পিলিকি চালে

অনেক পণ্ডিতৰপৰা কথা ওলাই প্ৰমাণ কৰে যে হিন্দুজাতিৰ পূৰ্ব্বপুৰুষ আৰ্য্যজাতিয়েইহে আদি সভ্য জাতি। সুৰ আৰ্য্য অসুৰ চেমিটিক আৰু আদি জাতিবিলাক যে হিন্দু আৰ্য্য জাতিৰে সৈতে মিহলি হোৱা জাতি তাকো পতিয়াব পৰি, কিয়নো হিন্দু আৰ্য্যজাতিয়ে সেইবিলাক অসুৰ জাতিক ম্লেচ্ছ বা যৱন বুলিছিল। ম্লিচ্ছ ধাতুৰ অৰ্থ মিহলি হোৱা আৰু যু ধাতুৰ অৰ্থ মিশ্ৰিত হোৱাকেই বুজায়। যথা—“যৌতি মিশ্ৰয়তি বা মিশ্ৰিভৱতি অনট প্ৰত্যয় হৈ যৱন হৈছে। কিন্তু সেইকালৰ আৰ্য্যজাতিয়ে সেইবিলাক জাতিক তেওঁবিলাকৰ লগত মিহলি হোৱা জাতিমাত্ৰ কৈছিল, আজিকালিৰ দৰে তেওঁবিলাকে ম্লেচ্ছ বা যৱন শব্দক ঘৃণাবাচকৰূপে ব্যৱহাৰ কৰা নাছিল। সেইকালত ম্লেচ্ছ বা যৱন জাতিৰে সৈতে আৰ্য্য জাতিয়ে খোৱা লোৱা আৰু ছোৱালী অনা দিয়াও যে কৰিছিল তাত ভুল নাই। মাদ্ৰী, গান্ধাৰী প্ৰভৃতি তিৰোতাই তাৰ প্ৰমাণ। প্ৰায় এতিয়া কলিযুগ মিলাৰ দিনলৈকে গ্ৰীকৰ ছোৱালীক হিন্দুৱে আই বিয়া কৰা বুৰঞ্জীৰ প্ৰমাণ আছে, আৰু মিৱাৰৰ বুৰঞ্জীত দেখা যায় ৰাজপুত ক্ষত্ৰিয় জাতিৰ অতি পৰাক্ৰমী প্ৰথম ৰজা বাপ্পাৰাওলৈ কাবুলী ছোৱালী বিয়া কৰাইছিল। ভালদৰে বিচাৰখোচাৰ কৰিলে দেখা যায় মাক চিৰিয়াণী মিছৰণী বা অসুৰণী, বাপেক ইৰাণী বা আৰ্য্য দুইয়ো মিলি যি সন্তি সন্তান ওলটাউলটি কৈ হৈছিল তাকেই ম্লেচ্ছ বা যৱন বুলিছিল। সংস্কৃতত মিছৰ দেশক মিশ্ৰদেশ বুলিছিল। মিছৰ দেশৰ মানুহবিলাকক Mixed races মিশ্ৰজাতি বুলি আধুনিক অনেক ইউৰূপৰ পণ্ডিতেও কয়। মানৰ ব্ৰহ্মদেশলৈ যেনেকৈ অনেক অসমীয়া মানুহ মানৰ দিনত গৈ তাতে থাকি মান দেশৰ ছোৱালী ৰাখি মান হৈ পৰিল, অসমীয়া কথা এৰি পেলালে, আসাম দেশলৈ যেনেকৈ আহোমবিলাক আহি এই দেশতে থাকি এই দেশৰেই ছোৱালী ৰাখি মিহলি হৈ নিজ ভাষা আৰু ধৰ্ম্ম এৰি কেউপিনে অসমীয়া হৈ পৰিল, অনুমান হয় আৰ্য্যবিলাকো অতীজতে তেনেকৈ মিছৰ দেশলৈ গৈ মিশ্ৰিত হৈ মিশ্ৰজাতি হৈ পৰিল। এই ম্লেচ্ছ বা মিশ্ৰ (মিছৰ) জাতিৰ ইতিহাসৰ তত্ত্ব গৱেষণা কৰি অনেক পণ্ডিতে বিচুৰ্তি হৈ এনে কথা কয় যে সেই জাতি তলে তলে কোন কালৰপৰা



পৰা সভ্য হল তাৰ কথা কোনোমতে ঢুকি পাব নোৱাৰি। মিছৰ দেশত জয়জয়তে যিজন ৰজা হৈছিল তেওঁৰ নাম মেনেছ Menes আছিল, তেতিয়া সেই দেশ সভ্য। সেই কালৰপৰা মিছৰ দেশত পকিঘৰ থকা, ৰথেৰে যুদ্ধ কৰা, আজিকালিৰ দৰে চিপাহিবিলাকক কাৱাজ কৰোৱাই যুদ্ধ শিক্ষা দিয়া আদি ৰীতি চলতি হৈছিল, এতেকে মিছৰ দেশ তেতিয়া সভ্যদেশ আছিল। সেই দেশেই বৰ্ত্তমান ইউৰোপীয় সভ্যতাৰ প্ৰায় আদি গুৰু। এই দৰে বেবিলিয়ন, নিভেন, চিৰিয়া, এচিৰিয়া যি কোনো আদি সভ্য জাতিৰেই বুৰঞ্জী পঢ়িলে একে কথাকেই পোৱা যায়। এই হেতুকে মানৱ জাতিয়ে কেতিয়া প্ৰস্তৰ যুগ (stone age) এৰিলে তাক কোনেও নিৰ্ণয় কৰিব নোৱাৰে। হে মানৱ, যি স্থলত তুমি কেতিয়া কেনেকৈ সৃষ্টি হলা তাক তোমাৰ জ্ঞানে এক কণিকা মানো ঢুকি নেপায়, তেনে স্থলত তুমি তোমাৰ জ্ঞান বুদ্ধিৰ কি অহঙ্কাৰ কৰিব পাৰা? যেতিয়া মিছৰ আদি দেশবিলাকত Hieroglyphic অৰ্থাৎ জন্তুৰ অঙ্গ-প্ৰত্যঙ্গৰ আকৃতিৰ দৰে লিখা আখৰ চলতি হৈছিল, অনুমান হয় তাৰ আগৰেপৰা হিন্দু আৰ্য্য জাতিয়ে লিখিব জানিছিল, কিয়নো বেদ যে প্ৰলয়ৰ আগত লিপিবদ্ধ হৈছিল তাৰ অলপ কিঞ্চিৎ আভাস আমাৰ পুৰাণত পোৱা যায়। ভগৱান মনু (যাক নুৱা নউৱা বোলে) প্ৰলয় জল-প্লাৱনৰ আগৰ মানুহ যে তাৰ ভুল নাই, এই মনুক এসময়ত সেই কালৰ মানুহে শোধাত তেওঁ তেতিয়া কৈছিল যে সেই সময়ত মানুহৰ উন্নতিৰ পতন অৱস্থা, তাৰ আগ ডোখৰত মানুহ জ্ঞান বুদ্ধিৰে বৰ উন্নত আছিল। এনেকুৱা কথা সেই কালৰ মানুহে কোৱা মিছৰ আৰু কালডিয়াৰ বুৰঞ্জীতো পোৱা যায়। এতেকে এইবিলাক কথা অসজাতি বুলি একেবাৰে উৰাই দিব নোৱাৰি। হিন্দুৰ পুৰাণত লিখা আছে সাবৰ্ণি মনুক জলপ্লাৱন হোৱাৰ সঙ্কেত আগতে মাছে দিলে। মনুৱে তেতিয়া নাও বা জাহাজ তৈয়াৰ কৰি তাতে সকলোকে তুলি পৰ্ব্বতৰ টিঙত নাও লগাই জলপ্লাৱন প্ৰলয়ৰপৰা ৰক্ষা পালে, এই কথাকে প্ৰায় সকলো জাতিৰ পুৰাণ বিলা-কেই একে দৰে কয়। এই মনুৰ ৰাজ্য তেতিয়া মেৰুকে ধৰি তাৰ আশে পাশে আছিল বুলি অনুমান হয়। মহামতি বাল গঙ্গাধৰ তিলকে যুক্তিৰে

ঠাৱৰ কৰিব খোজে যে ঋকবেদত যিৰূপ উষাৰ বৰ্ণনা আছে তেনে বৰ্ণনাৰ দ্বাৰাই প্ৰমাণ হয় যে আৰ্য্য জাতিৰ আদিম নিবাস থান অয়স্কয়তে সুমেৰু খণ্ড আছিল। সেই সময়ত মেৰু খণ্ড যে মানুহে বাস কৰাৰ উপযোগী আছিল তাক ভূতত্ত্ব-বিজ্ঞানবিৎ পণ্ডিতসকলেও প্ৰমাণ কৰে। আৰু বেদত যেনে ছয় ঋতুৰ বৰ্ণনা আছে তেনে ছয় ঋতুৰ বিহাৰক্ষেত্ৰ সেই সময়ত মেৰুখণ্ডতহে আছিল। আগেয়ে পৃথিবীৰ মেৰুদণ্ডটি axis) পোন আছিল; পিছে কালক্ৰমত প্ৰকৃতিয়ে তাক ঘুৰাই বেকা কৰাৰ কাৰণে প্ৰলয় জলপ্লাৱনৰ কাৰণ বুলি পণ্ডিতসকলে প্ৰমাণ কৰে। এই জলপ্লাবনৰ আগতে আৰ্য্য জাতিৰ যে বেদ লিপিবদ্ধ হৈছিল তাক এক প্ৰকাৰ পুৰাণে বা কিম্বদন্তিয়ে প্ৰমাণ কৰে। "মৎসৰূপে অৱতাৰ ভৈলা প্ৰথমত। উদ্ধাৰিলা চাৰি বেদ প্ৰলয় জলত"॥ বেদক কেনেকৈ প্ৰলয় জলত মাছে উদ্ধাৰ কৰিলে, তাক যুক্তিৰ চকুৰে দেখিবলৈ গলে এনেটিহে পতিয়াব পাৰি যে বেদ লিপিখণ্ড মনুৱে জলপ্লাবনত নাৱত উঠোতে লগতে লৈ উঠিছিল; সেই সময়ত কেনেবাকৈ সি পানীত পৰি উটি গৈ হয় তিমি ( Whale ) মাছৰ পিঠিত বহগৈ, নহয় মাছে কামোৰ মাৰি লৈ গিলিবৰ কাৰণে মুখতে লৈ ফুৰোঁতে মনুৱে নাইবা তেওঁৰ মানুহে দেখা পায় বেদলিপি ঘূৰাই আনিলে। এই ঘটনাটিকেই ভগৱানৰ বেদ উদ্ধাৰ হোৱা মূলত ভাবি মাছ ভগৱানৰূপ অৱতাৰ হৈ বেদ উদ্ধাৰ কৰা বুলি বোধে ধৰে। স্বামী দয়ানন্দ সৰস্বতীকে ধৰি কোনো কোনেৱে ঠাৱৰ কৰিব খোজে আৰ্য্য জাতিৰ আদিম স্থান ভাৰতবৰ্ষ। কাশ্মীৰ দেশ খনতে আৰ্য্য জাতিয়ে গুৰিতে বাস কৰি কাৰ পিছে তাৰপৰা গোটেই ভাৰত ভূখণ্ড অধিকাৰ কৰি বিস্তাৰ হৈ পৰিল। এই ভাৰতবৰ্ষৰেই আৰ্য্য জাতিৰ নানা শাখা প্ৰশাখা বাঢ়ি গ্ৰীক, ৰোম, চেক্সন প্ৰভৃতি উপজাতি সৃষ্টি কৰি ম্লেচ্ছ ( মিহলি ) হৈ পৰিল। তাৰ প্ৰমাণ বিশুদ্ধ সংস্কৃত ভাষা ( পাৰ্চীৰ আবেস্তেনি, গ্ৰীচৰ গ্ৰীক, ৰোমৰ ৰোমীয় ভাষাবে সৈতে ঠিক-ঠাক অপভ্ৰংশ হোৱা দেখা যায়, ইয়াৰ বাহিৰে ইউৰুপীয় আন আন জাতি যথা ইংৰাজ, জাৰ্ম্মান, ৰুচ, ফ্ৰেঞ্চ প্ৰভৃতি জাতিৰ ভাষা মিহলিৰ মিহলি জাতিৰ ভাষাৰূপে অপভ্ৰংশৰপৰাও অপভ্ৰংশ হৈ পৰিল। শেহৰটি অনুমান সত্য যে তাত ভুল নাই; কিন্তু আৰ্য্য জাতিৰ শিৰ-কুটা ঠাই যে ভাৰতবৰ্ষ



তাক হলে কোনোমতে মানিব নোৱাৰি। পুৰাণত উত্তৰকুৰু ইলাবৰ্ত্ত আদি ঠাইবেইহে অনেক বৰ্ণনা পোৱা যায়। তাৰ বাহিৰেও ঋকবেদৰ পোনৰ খণ্ড যে মেৰু প্ৰদেশত হৈছিল তাৰো প্ৰমাণ দেখা যায়। পাঞ্জাবৰ পঞ্চ নদৰ কাষত যিবিলাক ঋক ৰচিত হৈছিল সেইবিলাক জলপ্লাবন হোৱাৰ পিছৰ। হিৰণাক্ষ, প্ৰহ্লাদ আৰু বলি আদি দৈত্য বা ম্লেচ্ছৰ ৰাজ্য হিমালয়ৰ সিপাৰৰ খণ্ডহে। কোনো কোনো ইউৰুপৰ পণ্ডিতে যে হিন্দু আৰ্য্য জাতিক এই কথা কৈ উৰাই দিব খোজে যে যেতিয়া ভাৰত আক্ৰমণ কৰিবলৈ ৰাজ্ঞী শ্ৰেমিৰেণী, মিছৰৰ ফেৰোৱা ৰামচিছ দ্বিতীয় আৰু মেচিদোনিয়াৰ বাদস্তাহ এলেকজেন্দৰ দি গ্ৰেট্ আহিছিল তাৰ কথা হিন্দুৰ কোনো ঠাইত লিখা হোৱা নাছিল কিয়? ইয়াৰ উত্তৰত এনে কথা কব পাৰি যে ভাৰতৰ হিন্দু আৰ্য্য জাতি তেতিয়া ইমান প্ৰবল পৰাক্ৰমী আছিল যে সেইবিলাক ক্ষুদ্ৰ ঘটনা পুৰাণৰ উল্লেখৰ যোগ্য বুলি বিবেচিত নহৈছিল; কিয়নো শ্ৰেমিৰেণীয়ে আৰু ৰামচিছে ভাৰত আক্ৰমন কৰিবলৈ আহি ঠুকুহিকে টানিব নোৱাৰিলে। পুৰুষপুৰত ( যাক আজিকালি পেচোৱাৰ বোলে ) পুৰু ৰজা এজন ক্ষুদ্ৰ দুখীয়া ৰজা মাথোন আছিল। চেকেণ্ডৰ চাহ (Alexender the great) বাদচাহে তেওঁকেই কলে কৌশলে জয় কৰি এচিকটা মান ৰাজ্য ফেৰি লৈ ততালিকে ৰাজচক্ৰবৰ্ত্তী নন্দ ৰজাৰে সৈতে মিত্ৰতা পাতি পেলালে। তাকে নকৰা হলে তেওঁৰ ফালে আধ্যা পৰিলহেঁতেন, কিয়নে, নন্দ ৰজাৰ কেউপকাৰে শিক্ষিত অগণন সৈন্যৰ আগত তেওঁ কি ঠাৱৰিব পাৰিলেহেঁতেন? অকল ক্ষুদ্ৰ পুৰু ৰজাকেই তেওঁ লালকাল হৈ কোনোমতেহে জিকিব পাৰিছিল। এলেক জেন্দেৰৰ এই ক্ষুদ্ৰ দিগ্বিজয় ঘটনাটিকেই তিলটিকে বেলটি কৰি ইউৰুপৰ বুৰঞ্জী লিখকসকলে ইউৰুপৰ গৌৰৱ বঢ়াবৰ কাৰণে এলেকজেন্দৰক পৃথিবী জয়কাৰী বাদচাহ পাতি পেলালে। তেওঁবিলাকৰ কৰৰ দিন হৈছে কওক। এই ইউৰুপীয় বুৰঞ্জী লিখকসকলৰ ভিতৰৰ অনেক পাদুৰি চাহাবসকলে বাইবেলৰ পৰা গীতা ওলোৱা প্ৰমাণ কৰিব খোজাৰ দৰে মিছৰ আৰু মেচপটামীয়াৰ পৰা ভাৰতৰ হিন্দুবিলাকে সভ্যতা শিক্ষা কৰা প্ৰমাণ কৰিব খোজে, ইয়াৰ কাৰণ তেওঁবিলাকে সংস্কৃত ভাষা নজনা মাথোন. নাইবা আমাৰ মুখ

নথকা দেখি ইতিকিং কৰা ; কিন্তু পণ্ডিত মেক্সমূলাৰ চাহাবে হলে সত্য কথা কৈছে যথা "Ere Pyramids have raised their heads on the banks of the Nile Greece and Rome the cradles of European Civilization nurtured the tenants of wilderness, India was famous for her wisdom and learning." অৰ্থাৎ মিছৰৰ পিৰামিদে নীল নদীৰ কাষত মুৰ তোলাৰ আগতে, ইউৰূপৰ সভ্যতাৰ উৎপত্তিৰ ঠাই গ্ৰীচ আৰু ৰোমে অৰণ্যৰ জন্তুবিলাকক পালিছিল, ভাৰতবৰ্ষ সেই সময়ত জ্ঞান বিদ্যাত বিখ্যাত আছিল। অৱশ্যে এনে কথা দুই কৰিব নোৱাৰি যে ভাৰতৰ হিন্দু আৰ্য্যবিলাক আদি সভ্য জাতি হলেও মেচপটামিয়া আৰু মিছৰ আদি সভ্য জাতিবিলাকৰপৰা তেওঁলোকে কিছু কিছু জ্ঞান আৰু আচাৰ ব্যৱহাৰ ধাৰ কৰা নাছিল, কিয়নো দেখা যায় যেনে এজন মানুহ কেউ প্ৰকাৰে আনৰপৰা নিশিকি জ্ঞানী হব নোৱাৰে তেনেকৈ কোনো সভ্য জাতিয়েও আন সভ্য জাতিৰপৰা কিছু কিছু নিশিকি নোৱাৰে, কাৰণ কোনো মানুহ বা জাতিয়েই পূৰ্ণ হয়। আৰু ইয়াকো দেখা যায় কোনো সভ্য জাতিয়েই কেতিয়াও পেৰাত সঁচাৰ চাবি লগাই বন্ধ হৈ থকাৰ দৰে পৃথিৱীৰ এচুকত বন্ধ খাই থাকিব নোৱাৰে, ইদেশ সিদেশকৈ পৃথিৱীৰ দেশবিলাকৰ লগত যিবিলাক জাতিৰ অহা যোৱা চলে আৰু ইদেশৰ জ্ঞান সিদেশে ধাৰ কৰে আৰু ইদেশৰ মানুহে সিদেশৰ মানুহৰ লগত বেহা বেপাৰ কৰে, সিদেশ ইদেশৰ মানুহ আহি ইদেশ বা সিদেশত শিক্ষাদাতা হৈ বা শিকিবৰ কাৰণে বাস কৰেহি, সেইবিলাক জাতি বা দেশকেই সভ্যজাতি বা সভ্যদেশ বোলে। যি জাতি অতি সভ্য, যাৰ গৱৰ্ণমেণ্ট বা শাসনৰ নিয়ম ধৰ্ম্মৰ ওপৰত প্ৰতিষ্ঠিত অৰ্থাৎ যত মানুহৰ জীৱন আৰু সম্পত্তি নিৰাপদ, তাত নানা দেশৰ মানুহ আহি বসতি কৰি নিৰাপদ ভাবে কাল নিয়াই সচৰাচৰ সুখে জীৱন কটায় যে ইয়াত ভুল নাই। হিন্দু আৰ্য্য জাতি যে অতীজতে কিমান অতি সভ্য জাতি আছিল আৰু তেওঁলোকৰ ৰাজনীতি কেনে ধৰ্ম্মৰ পবিত্ৰ নিয়মৰে গঁথা আছিল তাক শুক্ৰনীতি পঢ়িলে অবাক হব লগীয়া। সভ্যতাৰ কেনে আহি আছিল তাক মহাভাৰত আৰু ৰামায়ণ পঢ়িলেই আচৰিত মানি বৰ্ত্তমানৰ ইউৰূপীয় সভ্যতাক নেওচাকেওঁ



দিব লগাত পৰে। হিন্দু আৰ্য্য জাতি সেই কালত অতি ওখ সভ্য থকাৰ গতিকে পৃথিৱীৰ অনেক জাতিৰ মানুহ আহি ভাৰতবৰ্ষত বাস কৰি শিৰফুটা হৈ পৰিল। দনুৰ পুতেকৰপৰা জন্মা দানৱ জাতি, দিতিৰ পুতেকৰপৰা আৰৰি জাতিৰ ছোৱালীৰ গৰ্ভত জন্মা দৈত্য জাতি প্ৰভৃতি অসুৰ জাতিৰ ভিতৰৰ অনেক ম্লেচ্ছ বা মিহলি জাতিবিলাক আহি ভাৰতবৰ্ষত বাস কৰি শিৰ ফুটাই পৰিল যে তাৰ ভুল নাই, আৰু ম্লেচ্ছ অসুৰ জাতিৰ অনেক পৰাক্ৰমী মানুহ সেই কালত ভাৰতৰ কোনো খণ্ডত ৰজা হৈ সিহঁতৰ ধৰ্ম্ম আৰু আৰ্য্য ধৰ্ম্ম দুইকো, মানুহ যেনে মিহলি হয় বা ম্লেচ্ছ, মিহলাই এটি নতুন ধৰ্ম্ম ভাৰতত সৃষ্টি কৰিলে যে তাৰ প্ৰমাণ তন্ত্ৰ শাস্ত্ৰ আৰু তন্ত্ৰ ধৰ্ম্ম। তন্ত্ৰ ধৰ্ম্ম আৰ্য্যৰ বেদৰ ধৰ্ম্মৰ লগত এনে মিহলি হৈ পৰিল যে তাৰ চিনকে ধৰা টান। বেদৰ ধৰ্ম্মৰ দুই অংশ দেখা পোৱা যায় ; এক অংশ বলি কাটি আৰু হোম কৰি পূজা কৰা আৰু আন অংশ যাক উপনিষদ্ বোলে আত্মতত্ব জ্ঞানৰ দ্বাৰাই ব্ৰহ্ম উপাসনা কৰা। এই ব্ৰহ্মজ্ঞান যি লাভ কৰিব নোৱাৰিছিল হিন্দু আৰ্য্যৰ ভিতৰত সি বামুণ বোলাব কেতিয়াও নোৱাৰিছিল। বলি কাটি দেৱতাক পূজা কৰা আৰু হোম কৰা এনে পূজা মিছৰ, ইহুদি, চিৰিয়া, এচিৰিয়া আৰু মেচপটামিয়া জাতিবিলাকৰো আছিল ; কিন্তু সিহঁতে মূৰ্ত্তি গঢ়ি দেৱতা পূজা কৰিছিল, হিন্দু আৰ্য্য জাতিয়ে হলে কেতিয়াও তেনে কৰা নাছিল। হিন্দু আৰ্য্য জাতিৰ ভিতৰত যদিও বলি কাটি পূজা দিয়া প্ৰথা সেই সময়ত আছিল তথাপি তেতিয়া তাক নিন্দা কৰাও হৈছিল যেতিয়া সপ্ত কৌশিক ঋষিসকলে গাই এজনী বলি দি বেদৰ কৰ্ম্ম মতে যজ্ঞ কৰিছিল তেতিয়া সেই কামক ক্ৰুৰ বা নিষ্ঠুৰ কৰ্ম্ম বুলি নিন্দা কৰা হৈছিল। তাৰ প্ৰমাণ "এবং সাভক্ষিতা ধেনুঃ সপ্তভিস্তৈস্তপো ধনৈ বৈদিকং বলমাশ্ৰিত্য ক্ৰুৰৈ কৰ্ম্মণি নিৰ্ভয়াং"। বেদৰ এনে পূজাৰ অংশখিনিৰ লগত অসুৰ জাতিৰ মূৰ্ত্তিপূজা মিহলি হৈ তন্ত্ৰ শাস্ত্ৰ আৰু তন্ত্ৰৰ ধৰ্ম্মৰ সৃষ্টি হল।

তন্ত্ৰধৰ্ম্ম যে অসুৰ দানৱজাতিৰপৰা সৃষ্টি হল তাৰ প্ৰমাণ তন্ত্ৰৰ জন্ম ঠাই কামৰূপ বা আসাম বুলি অনেকে স্বীকাৰ কৰে। কামাখ্যা যোনি-পীঠ। লিঙ্গযোনি পূজা (Phallic worship) আৰ্য্যজাতিৰ কেতিয়াও নহয়।

এই লিঙ্গযোনি পূজা কৰা প্ৰথা চিৰিয়া, বেবিলনীয়া আদি অসুৰ জাতিৰ আৰু মিছৰ (Egyptian) জাতিৰ আছিল তাক বুৰঞ্জীয়েই প্ৰমাণ কৰে। কামৰূপ বা আসাম দেশো অসুৰ দানবৰ দেশ আছিল। সেইবিলাক দেশৰ পৰা অসুৰ মানুহ আহি ভাৰতবৰ্ষ সোমাই আসাম অধিকাৰ কৰা অনুমান হয়। চিৰিয়াৰ বনপাল অসুৰ আৰু নাজিৰপাল অসুৰ (Asshur Banapal and Nazirpal) এসময়ত এনে পৰাক্ৰমী হৈ উঠিছিল যে পৃথিৱীৰ Four Corners of the world চাৰি চুকৰ অধিপতি তেওঁলোকে নিজক বোলাইছিল। সেই সময়ত ভাৰতৰ আৰ্য্যবিলাকৰ সৈতেও তেওঁবিলাকৰ যুদ্ধ হৈছিল। ইয়াৰ বাহিৰেও মহাভাৰতত পোৱা যায় সময়ে সময়ে অসুৰ আৰু দানৱে ভাৰত আক্ৰমণ কৰিছিলহি। সম্ভৱতঃ সমুদ্ৰ পথেদি মিছৰ আৰু চিৰিয়াৰ দানৱ অসুৰবিলাকে দ্বাৰকা ( গুজৰাট ) কেবাবাৰো আক্ৰমণ কৰি পৰাস্ত হৈ পলাইছিল। শাল্ব তাৰ ভায়েক অনুশাল্ব দৈত্য আৰু কাল যৱনে আহি দ্বাৰকা আক্ৰমণ কৰা মহাভাৰতত পোৱা যায়; শ্ৰীকৃষ্ণই অনেক কৌশলেৰে সিহঁতক পৰাস্ত কৰি ৰণ জিকিছিল। শাল্ব নাম বোধ হয় Saul নামৰপৰা হৈছে। এনে নাম ইহুদি আৰু মিছৰত থকা পোৱা যায়। এইবিলাক অসুৰৰ ভাৰত আক্ৰমণ ডাঙৰ কথা দেখি হিন্দুৰ পুৰাণত উল্লেখ আছে। এতিয়া ইউৰূপৰ পণ্ডিতসকলে কওঁকচোন কলডীয়া মিছৰ আৰু গ্ৰীকৰ পুৰাণত এনেবিলাকৰ নাম গন্ধ নাই কিয়? আসামৰ আদি ৰজা মহীৰঙ্গ দানৱ আৰু নৰকাসুৰ প্ৰভৃতি সেইবিলাক দেশৰ মানুহ, তেওঁবিলাকেই পোনতে ইয়াৰ লিঙ্গযোনিৰ ( Phallic worship ) পূজা চলায়; তাকে বেদৰ কৰ্ম্মৰ লগত, আমাৰ বঙাল বাপুসকলে পাই, পূজাৰ পদ্ধতি বান্ধি ধৰ্ম্মৰ দোকান দিবলৈ বৰ জুতি পালে। ভোটবিলাকে কচাৰী বিলাকে এই পূজাকে কৰে; আমাৰ বঙাল বাপুসকলে ধৰ্ম্মৰ দোকানী ( গুৰু ) হৈ, একো কাম নকৰাকৈ বহি খাবৰ জুতি লাগিল। তন্ত্ৰ ধৰ্ম্ম অসুৰ অৰ্থাৎ চেমিটিক জাতি মানুহৰ দ্বাৰাই ভাৰতবৰ্ষত প্ৰবৰ্ত্তিত হৈছিল, তাৰ প্ৰমাণ ইয়াকো দেখা যায় যে ই বেদৰ ধৰ্ম্ম নহয়, ই এটি আৰ্য্যজাতিৰ ধৰ্ম্মৰ বাহিৰৰ ধৰ্ম্ম দেখি তাক এতিয়াইলৈকে বামানয় ধৰ্ম্মবোলে আৰু তন্ত্ৰ শাস্ত্ৰক বামানয় শাস্ত্ৰ বোলে। পোনতে ভাৰতবৰ্ষলৈ আৰ্য্যজাতি



অহাৰ পিছত অসুৰ জাতিও আহি যে এই দেশ দখল কৰি অনেক অসুৰ এই দেশবাসী হৈ আৰ্য্যবিলাকেৰে সৈতে মিলি গল যে তাৰ আন এটি প্ৰমাণ, উত্তৰ আৰু পূৰ্ব্ব বঙ্গৰপৰা আসামকে ধৰি পুৰণি দিনৰ অনেক ৰজাৰ নামৰ পিছত পাল উপাধি লগোৱা পোৱা যায়। এই পাল উপাধি অসুৰৰ।

---

# জিজিয়া।*

ইংৰাজ আৰু আমাৰ দেশীয় বুৰঞ্জী লিখোতাসকলে ইচলাম জগতৰ বুৰঞ্জী ৰচনা ক্ষেত্ৰত জিজিয়া নামে ৰাজকৰৰ যি ভীষণ চিত্ৰ আঁকিছে, জিজিয়াক যেনেকুৱা ভীতিপ্ৰদ অত্যাচাৰ আৰু বিদ্বেষমূলক কঠোৰ কৰ বুলি ব্যাখ্যা কৰিছে সেইবোৰ পঢ়ি সৰল মনৰ পাঠক আৰু স্কুল কলেজৰ কোমলমতি চাত্ৰসকলৰ অন্তৰত মুচলমান বাদচাহসকললৈ কি এক ৰকমৰ ঘিণ আৰু হিংসা বিদ্বেষৰ ভাবেহে ঠাই লয়। এনেকুৱা অলীক আৰু ভিত্তিহীন গল্পগুজৱে আমাৰ এই দেশৰ হিন্দু মুচলমানৰ একতা আৰু সম্প্ৰীতি স্থাপনৰ মাজ বাটতে ভেটা দিয়া দি থৈছে। এই জিজিয়া বস্তুটো নো কি আৰু ই কেনেকুৱা ৰাজকৰ আছিল তাৰে প্ৰকৃত তত্বটো তলত ভালকৈ বুজাবলৈ চেষ্টা কৰিলোঁ।

জিজিয়া শব্দটো পাৰচী ভাষাৰ গিজিয়া শব্দৰপৰা উৎপন্ন। আৰবী ভাষাত গাফ (গ) আখৰটো নাই। এই নিমিত্তেই পাৰচী ভাষাৰ গাফ আখৰ থকা শব্দবোৰ আৰবী ভাষাত লিখোতে জিম জ) দি লিখা যায়। যেনে—হুগলী এই নামবাদ আৰবীত লিখিবলৈ গলে হুজলী, এনেকৈয়ে পাৰচী ভাষাৰ গিজিয়া শব্দটো আৰবী ভাষাত জিজিয়া হৈছে। গিজিয়া শব্দৰ অৰ্থ খাজানা বা কৰ। কবিকুল শিৰোমণি নেজামী, চুজনী আৰু পাৰস্যৰ কবিকুল-সম্ৰাট ফেৰদৌচী প্ৰভৃতিয়ে নিজ নিজ গ্ৰন্থত গিজিয়া

* "ভাৰতে মুচলমান সভ্যতাঃ" পৰা।

শব্দটো কৰ অৰ্থে ব্যৱহাৰ কৰি গৈছে। জিজিয়া শব্দটো যে পাৰচী ভাষাৰ গিজিয়া শব্দৰপৰা উৎপন্ন সেইটো "মফাতি হুল উলুম" নামে আৰবী অভিধানত লিখা আছে। ইয়াৰপৰাই বুজা গৈছে যে জিজিয়া শব্দটো আৰবী শব্দ নহয় সি পাৰচী শব্দ হে।

পাছৰ ঐতিহাসিক প্ৰমাণৰ দ্বাৰাই এইটো ভালকৈ বুজিব পাৰি যে সুবিচাৰত প্ৰখ্যাত পাৰচ্য সম্ৰাট নওচেৰাৱাঁই সকলোতকৈ আগেয়ে তেওঁৰ ৰাজ্যত এই জিজিয়া বা গিজিয়া ৰাজকৰ প্ৰচলন কৰে। তেতিয়া আৰব দেশৰ এয়মন প্ৰদেশ আৰু এৰাকে আৰব পাৰচ্য ৰাজৰ শাসনাধীনত আছিল। এই সংস্ৰৱতে আৰব দেশতো জিজিয়া শব্দৰ ব্যৱহাৰ আৰু প্ৰচলন হয়।

ইতিহাস পঢ়ি জনা যায় যে পাৰচ্য সম্ৰাট নওচেৰাৱাঁই পাৰচ্য আৰু আৰবৰ ৰাজস্ব বিষয়ক যিবিলাক নিয়ম প্ৰচলন কৰিছিল মুচলমান আমোলতো সেইবিলাকৰে অলপ-অচৰপ পৰিবৰ্ত্তন কৰি চলোৱা হৈছিল।

প্ৰসিদ্ধ ঐতিহাসিক এমাম আবু জাফৰ তিব্ৰীয়ে নওচেৰাৱাঁ বাদচাহৰ শাসন সংক্ৰান্ত বিবৰণীত লিখিছে যে—"উচ্চবংশীয় আমীৰ ওমৰা, ধৰ্ম্মগুৰু আৰু সৈনিক পুৰুষৰ বাহিৰে তেওঁ ৰাজ্যৰ অন্যান্য সকলো শ্ৰেণীৰ ২০ কুৰি বছৰৰ ওপৰ আৰু ৫০ পঞ্চাশ বছৰৰ তলৰ বয়সৰ মানুহবিলাকৰপৰা প্ৰত্যেকৰ অৱস্থানুযায়ী ৪, ৬, ৮, ১২ দেৰেম ( এসিকি পৰিমাণ ) হিচাপে জিজিয়া কৰ লৈছিল। গ্ৰন্থকাৰে এই বিবৰণীৰ তলতে মন্তব্য স্বৰূপে লিখিছে যে—"দ্বিতীয় খলিফা হজৰত ওমৰ (ৰঃ) এ যেতিয়া পাৰচ্য দেশ জয় কৰে তেতিয়া তেওঁ নওচেৰাৱাঁৰ প্ৰবৰ্ত্তিত ৰাজস্ব নীতি অৱলম্বন কৰে।" তিব্ৰীয়ে নওচেৰাৱাঁই তেনেকুৱা কৰ স্থাপন কৰাৰ সম্বন্ধে লিখিছে যে—"সৈনিক পুৰুষবিলাক দেশৰ ধন প্ৰাণ ৰক্ষক, সিহঁতে স্বদেশ আৰু স্বদেশবাসীক ৰক্ষা কৰিবলৈ নিজক বিপদাপন্ন কৰি শমন-সাগৰত জাঁপ দিবলৈকো কুণ্ঠিত নহয়; গতিকে নিৰাপদে অৱস্থানকাৰী মানুহবিলাকৰপৰা সৈনিকবিলাকৰ ব্যয় নিৰ্ব্বাহাৰ্থে তেনেকুৱা এটা কৰ দিয়াতো একান্তই উচিত।" পাছৰ কাল ডোখৰত মুচলমান বাদচাহসকলে যে এই জিজিয়া কৰটো নিজ নিজ ৰাজ্যৰ সকলো মুচলমানক বাদ দি ভিন্ন ধৰ্ম্মাৱলম্বীসকলৰ



ভিতৰত প্ৰচলন কৰিছিল বাস্তৱিক পক্ষে তেনে কৰাতো উচিত আছিল নে অনুচিত আছিল প্ৰথমে তাকেহে বিচাৰ কৰি চাব লাগে।

ইচলামৰ শাসন নীতি অনুসাৰে প্ৰত্যেক মুচলমানেই দেশ, সমাজ আৰু দেশবাসীসকলৰ ধন প্ৰাণ ৰক্ষা কৰিবলৈ বাধ্য। কোনো মুচলমানেই এই কঠোৰ বিধিৰপৰা হাত সাৰি থাকিব নোৱাৰে। মুচলমান খলিফা আৰু বাদচাহসকলে সামৰিক বিধানটো নিজ ধৰ্ম্মাৱলম্বীসকলৰ ভিতৰত সীমাবদ্ধকৈ ৰাখি আন ধৰ্ম্মাৱলম্বীসকলক সেই বাধ্যতামূলক বিধিৰপৰা অব্যাহতি দিবলৈ ধৰ্ম্মতঃ বাধ্য আছিল। অইন ধৰ্ম্মাৱলম্বীসকলৰ ভিতৰত সামৰিক নিয়মটো বাধ্যতামূলক কৰিলে তেওঁলোকে সেই নিয়মটোক নিতান্ত অত্যাচাৰমূলক বিধি বুলি ভাবিলেহেঁতেন। এনে কি তাৰ ফলত ভয়ঙ্কৰ বিদ্ৰোহানল প্ৰজ্বলিত হৈ দেশ ছাৰখাৰ হলহেঁতেন। মুচলমান সকল ধৰ্ম্মৰ বিধান বুলি নীৰৱে এই কঠোৰ আদেশ পালন কৰিবলৈ বাধ্য আছিল আৰু আপত্তিৰ কোনো হেতুও নাছিল।

মুচলমানবিলাক ধৰ্ম্মতঃ আৰু আইনতঃ সামৰিক বিধানত বাধ্য আৰু আন ধৰ্ম্মাৱলম্বী প্ৰজাবিলাক সেই বিধানৰপৰা হাত সাৰি থকাত তেওঁবিলাকৰপৰা সামৰিক বিভাগৰ খৰচটো এটা কৰ নিৰূপিত হোৱা সম্পূৰ্ণ যুক্তিসঙ্গত আৰু ন্যায়ানুমোদিত। জিজিয়াও যে সেই ধৰণৰ এটা সামৰিক টেক্সৰ বাহিৰে কোনো ৰকম জাতিগত বিদ্বেষমূলক কৰ নাছিল তাৰে এটা ফটফটীয়া প্ৰমাণ এই যে আন আন ধৰ্ম্মাৱলম্বীসকলৰ ভিতৰত যিসকলে আপোন ইচ্ছাৰে সৈনিক বিভাগত সোমায় তেওঁলোকে মুচলমানবিলাকৰ নিচিনাকৈ জিজিয়া টেক্সৰপৰা সম্পূৰ্ণ হাত সাৰি থাকে।

মুচলমান বাদচাহসকলৰ অধীনত থকা আন জাতীয় প্ৰজাসকলৰ নাম "জিম্মি"। এই শব্দৰ অৰ্থ - "দায়ীত্ব-ভাৰ-গৃহীত-লোক।" আন ধৰ্ম্মাৱলম্বী প্ৰজাসকলৰপৰা জিজিয়া নামেৰে এটা কৰ আদায় কৰি তেওঁলোকৰ ধন, প্ৰাণ আৰু মান সম্মান ৰক্ষা কৰাৰ "জেম্মা" অৰ্থাৎ দায়ীত্ব গ্ৰহণ কৰা হয় বুলি তেওঁলোকক "জিম্মি" বোলে। জিজিয়া যে একমাত্ৰ তেওঁলোকক সকলোবিলাক বিপদ আপদৰপৰা ৰক্ষণাবেক্ষণ কৰিবলৈকে লোৱা হৈছিল তাৰ বহুতো প্ৰমাণ দিব পাৰি। হজৰত মহম্মদ (দঃ) আৰু তেওঁৰ

খলিফাসকলে আন ধৰ্ম্মাৱলম্বীসকলৰ লগত যি সন্ধিপত্ৰ স্থাপন কৰিছিল তাত এই কথা স্পষ্টকৈ লিখা আছিল যে—"তোমালোকক তোমালোকৰ শত্ৰুৰ আক্ৰমণৰপৰা ৰক্ষা কৰাৰ বিনিময়ত এই জিজিয়া কৰ লোৱা হৈছে।" আৰু যিসকলে নিজ ইচ্ছাৰে সৈনিক বিভাগত সোমায়হি তেওঁলোকক জিজিয়াকৰৰপৰা অব্যাহতি দিয়া হয়। প্ৰত্যেক মুচলমান বাদচাহেই যে তেওঁলোকৰ নিজ ৰাজ্যত সেই কৰ লগাইছিল সিও নহয়। ভাৰতবৰ্ষত পাঠান বাদচাহসকলৰ সময়ত হিন্দু প্ৰজাসকলে বিশেষকৈ সৈনিক বিভাগত নোসোমোৱাত তেওঁলোকৰ ওপৰত সেই কৰ বহুৱা হৈছিল। বাবৰ আৰু হুমায়ুনৰ সময়লৈকে সেই নিয়মেই চলি আছিল। সম্ৰাট আকবৰে পাঠানবিলাকৰ ক্ষমতা দুৰ্ব্বল কৰিবৰ মনেৰে ৰাজপুতসকলৰ সহানুভূতি আকৰ্ষণ কৰে। আৰু তেওঁলোকক সৈনিক বিভাগত সুমাই লয়। মহাৰাষ্ট্ৰীয়সকলেও শেষত ৰাজপুতসকলৰ অনুসৰণ কৰে। বেছিভাগ হিন্দু সামৰিক বিভাগত সোমোৱাত সম্ৰাট আকবৰে তেওঁলোকক জিজিয়া কৰ এৰি দিয়ে। সম্ৰাট জহাঁগীৰ আৰু চাহজাহান দুয়ো এই নিয়ম ঠিক ৰাখিছিল। সম্ৰাট আওৰঙ্গজেবৰ সময়ত ভাৰতবৰ্ষই অন্যৰূপ ধাৰণ কৰে। যি পাঠান বংশৰ ক্ষমতা দুৰ্ব্বল কৰিবৰ নিমিত্তে সম্ৰাট আকবৰে ৰাজপুতসকলক আশ্ৰয় দান কৰে, তেওঁলোকক উচ্চ ৰাজপদত, দৰবাৰত আৰু সামৰিক বিভাগত অধিকাৰ প্ৰদান কৰে—সেই ৰাজপুতসকলৰ প্ৰতিপত্তি পাঠান বংশতকৈয়ো বেছি হে হয়। ক্ৰমে সেই সকলোৱে মনত স্বাধীন হোৱা কল্পনা সোমাই উৎপাত লগাবলৈ ধৰিলে। সম্ৰাট আওৰঙ্গজেবে মুচলমান ৰাজ্যৰ উপস্থিত বিপদ দেখি ৰাজপুতসকলৰ ক্ষমতা দুৰ্ব্বল কৰিবলৈ আৰু মহাৰাষ্ট্ৰীয়সকলক দমন কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হৈ তেওঁলোকৰ সামৰিক ক্ষমতা কমাই আনিবলৈ ধৰিলে। পাছত জিজিয়া কৰ বহুৱাই সকলোকে যুদ্ধ বিভাগৰপৰা আঁতৰাই নিজ ৰাজ্য ৰক্ষা কৰা চিন্তা কৰিবলৈ ধৰিলে। আওৰঙ্গজেবে জিজিয়াৰ পুনৰ প্ৰচলন কৰা দেখি ঐতিহাসিকসকলৰ ভিতৰত বহুতে তেওঁৰ ওপৰত তীব্ৰ কটাক্ষপাত কৰিছে। কিন্তু তেওঁ কি সময়ত কেনেকুৱা অৱস্থাত সেই কৰ পুনঃ চলাবলৈ বাধ্য হল সেই কথালৈ কোনেও এবেলিও ভাবি



নেচায়। সেই সময়ত তেনে নকৰা হলে ৰাজ্য ৰখোৱাই টান পৰিব হেতেন। আত্মৰক্ষা আৰু দেশ ৰক্ষা কৰাক যি দোষাবহ বুলি ভাবে, ৰাজদ্ৰোহিতা আৰু দেশদ্ৰোহিতা নিবাৰণ কৰা যাৰ ওচৰত নিন্দাৰ কথা তেওঁলোকক আৰু কি কব পাৰি!

আওৰঙ্গজেবে যেনেকৈ হিন্দুৰ প্ৰতি জিজিয়াৰ ব্যৱস্থা কৰিছিল সেই দৰে মুচলমানবিলাকৰ প্ৰতিও "জাকাত" আদায়ৰ কঠোৰ বিধান প্ৰচাৰ কৰিছিল। ইয়াত জাতি ধৰ্ম্মৰ কোনো পাৰ্থক্য নাছিল। প্ৰধানতঃ—ৰাজ ভৰাঁলত টকাৰ নাটনি হোৱাতেই জিজিয়া আৰু জাকাতৰ ব্যৱস্থা কৰিব লগাত পৰিছিল। বুৰঞ্জীত তাৰ সবিশেষ উল্লেখ দেখিবলৈ পোৱা যায়। আওৰঙ্গজেবক যিসকলে ঘোৰ হিন্দু বিদ্বেষী, প্ৰতিমা পূজাৰ পৰম শত্ৰু আৰু বিগ্ৰহ ধ্বংসকাৰী বুলি বৰ্ণনা কৰিবলৈ মনত অলপো দ্বিধা বোধ নকৰে তেওঁলোকে এখন্তকলৈকো কি ভাবি নেচায় যে—আওৰঙ্গজেবৰ প্ৰধানতম প্ৰিয়তমা মহিষী ৰাজপুত বংশীয়া আছিল, আৰু ঐতিহাসিক হইলাৰৰ মতে সেই কন্যাই ৰাজ অন্তঃপুৰৰ এটা নিৰ্দ্দিষ্ট খোটালিত হিন্দুৰ আচাৰ মতে নিত্য পূজা অৰ্চ্চনাদি অনায়াসে সম্পাদান কৰিছিল। সম্ৰাট আওৰঙ্গজেবে তাত একো বাধা দিয়া নাছিল।

জিজিয়াৰ পৰিমাণ কোনো অৱস্থাতেই বাৰ্ষিক ২০ কুৰি টকাৰ বেছি নাছিল। লাখপতি ক্ৰোৰপতি হলেও তাতকৈ কোনেও বেছি দিব নেলাগিছিল। সাধাৰণতে বছৰি ছটকাকৈয়ে জিজিয়া কৰ আদায় কৰা হৈছিল। তিকতা, কণা, খোৰা, বলিয়া, দুখীয়া অৰ্থাৎ যাৰ হাতত সদায় ২৫ পঁচিশ টকাতকৈ বেছি নাই তাৰ পক্ষে জিজিয়া টেক্স মাফ আছিল।

আজিকালি চকিদাৰী টেক্স, ইনকম টেক্স, মিউনিচিপাল টেক্স, পথ কৰ, বন কৰ, জল কৰ, ডাক কৰ, চুঙ্গিৰ মাচুল, কষ্টম টেক্স, পাচ পোৰ্ট টেক্স, চাৰ্জে টেক্স ইত্যাদি কিমান টেক্সকেই যে প্ৰজাবিলাকে দিব লগাত পৰে তাৰ সীমা নাই, কিন্তু এইবোৰক কোনেও অত্যাচাৰ বা হিংসা বিদ্বেষমূলক গুৰুতৰ টেক্স বুলি নেভাবে। কিন্তু কি আচৰিত কথা—মুচলমান আমোলৰ এটা সামান্য সামৰিক টেক্সৰ প্ৰতিকূল আলোচনাতেই

গোটেইবোৰ বুৰঞ্জী পৰিপূৰ্ণ! আমাৰ সদাশয় সুসভ্য ইংৰেজ গৱৰ্ণমেণ্টৰ ব্ৰহ্মদেশ আৰু আসামৰ প্ৰায় ঠাইতেই এতিয়াও "জুৰিৰ খাজানা" বুলি মতা তিৰুতাৰ মূৰ গণি কম পক্ষেও ৫ পাঁচটি টকা কৰ বুলি আদায় কৰা হয়, কিন্তু তাক তো কোনেও আপত্তিজনক বুলি নেভাবে। মুচলমান আমোলত যিসকলৰপৰা জিজিয়া লোৱা হৈছিল সেইসকলৰ পৰা "ওচৰ" অৰ্থাৎ মাটিৰ উৎপন্ন শস্যৰ দশমাংশ কৰৰূপে আদায় কৰা নহৈছিল। এইটো হজৰতৰ সন্ধিপত্ৰৰপৰা আগেয়ে দেখুউৱা হৈছে।

এম, মোছলেহ উদ্দিন আহমদ।

---

# সৌন্দৰ্য্য আৰু বিনাশ।

১

পুৱতি নিশাতে উঠি অকলে অকলে
মনোৰম বননি মাজত
ভ্ৰমি আছোঁ ধীৰে ধীৰে চাই ফুল বন ;
কি আনন্দ আজি হৃদয়ত।

২

নাচিছে পদুম-কলি পুখুৰী মাজত,
মলয়াত গছনি বননি ;
গাইছে বিহঙ্গে আহা ললিত তানেৰে,
ঘনে ঘনে হয় প্ৰতিধ্বনি।

৩

ঢালি দিলোঁ প্ৰাণ মম সৌন্দৰ্য্যত হায়
ভোল গলোঁ আপোন পাহৰি,
উত্তাৰল হিয়া মোৰ সঘনে কঁপিছে
উথলিছে আনন্দ লহৰি।



৪

কিযে হায় দেখোঁ এই ক্ষুদ্ৰ হিয়া মোৰ
অকস্মাৎ উঠিল চমকি ;
বিষণ্ণ কৰিলে মোৰ প্ৰফুল্ল মুখানি,
ৰলোঁ মই হঠাৎ থমকি।

৫

নাথাকেতো এই শোভা চিৰকাল হায়,
আৰু এই মলয় পৱন ;
সূৰ্য্য উদয় হলে বিহঙ্গৰ দল
কেনিবাদি হব অন্তৰ্দ্ধান।

৬

চাওঁতে চাওঁতে এই অপাৰ সৌন্দৰ্য্য
লয় পাব কালৰ গৰ্ভত,
অপৰূপ ৰূপ এই প্ৰখৰ বদত
নাথাকিব এই বননিত।

৭

নিৰাশা নিৰাশা হায় বাজিছে কেৱল
নিৰাশাৰ সকৰুণ বীণ,
সকলোৰে এই দশা কোনো সুখী নাই,
মিছা মিছা ই সংসাৰবন।

৮

কিয় তেন্তে জনমিছোঁ দুদিনলৈ হায়,
দুদিনীয়া সংসাৰ মাজত ;
কিয়বা নাথাকে একো চিৰকাললৈ,
লয় পায় কালৰ গৰ্ভত।

৯

দেখা দিয়ে কিয় এই অপূৰ্ব্ব সৌন্দৰ্য্য
আৰু এই আনন্দ অপাৰ,
ক্ষন্তেকতে কিয় পুনু নাই কিয় হয়?
কোনো সুখী নাই সংসাৰৰ।

১০

এয়ে নে কি শেষ দশা সকলোৰে হায়,
সংসাৰৰ এয়ে নে বিলাই?
নাপায় কোনোৱে সুখ যুগমীয়াকৈ,
প্ৰবঞ্চনা মাথোন সদাই।

১১

এয়ে নে সৃষ্টিৰ ধৰ্ম্ম—অনিত্য সকলো
আৰু হায় দুখ প্ৰবঞ্চনা;
নহলে আছে নে কিবা গুপ্ত সত্য তাত,
কিবা তাৰ অদ্ভুত মহিমা।

১২

( এটা কথা ) চিৰকাল থাকে যদি একেটি সৌন্দৰ্য্য
একে ভাৱে একে দৰে ৰৈ,
থাকিব নে সি সৌন্দৰ্য্য চিৰকাললৈ
পুৰণিতো থাকিব নে লয়।

১৩

নাথাকে তো কদাপিতো পুৰণিত লয়
নয়নেও তৃপিতি নাপায়;
যতই সৌন্দৰ্য্য হওক হলেই পুৰণি
সি সৌন্দৰ্য্য নাইকিয়া হয়।



১৪

চিৰকাল থাকে যদি ই পুৱতি নিশা
আৰ এই মলয় পৱন,
চিৰকাল গায় যদি বিহঙ্গৰ দলে,
নাচে যদি ফুল লতা বন,

১৫

নাথাকে নাথাকে তেন্তে কদাপি নাথাকে
সেইৰূপ সেই লয় তাৰ;
দুদিনতে পাব লয় বিষ তুল্য হব
সকলোটি হব কদাকাৰ।

১৬

পুৰাত সৌন্দৰ্য্য দেখোঁ ক্ষন্তেকীয়া বাবে
আৰু সেই সন্ধ্যা দুপৰত,
সিদৰে আনন্দ পাওঁ দুদিনীয়া বাবে
বাল্য বৃদ্ধ আৰু যৌবনত।

১৭

তেন্তে কিয় দুখ মোৰ, কান্দে এই হিয়া,
ভাবি সকলোটি দুদিনীয়া;
ভুগি লওঁ এই সুখ যত পাৰোঁ মানে,
আনন্দত উগ্‌লক হিয়া।

১৮

অধোমুখে ভাবি গুণি আছিলোঁ নীৰবে,
তুলিলোঁ পুনৰ মুৰ মোৰ;
চাৰিভিতে চালোঁ মই ফুলনি বননি
দুবৰিৰ শোভা পৰ্ব্বতৰ।

১৯

এনেতে তোমোৰা এটি গুণ গুণ কৈ
কাণৰ কাষেদি গুচি গল,
কলে যেন কাণে কাণে সেই গুণে আমি
নাথাকোঁ নাথাকোঁ চিৰকাল।

২০

উঠিল কন্তেকে নাচি ফুলনি বননি,
পুথুৰীত দেখোঁ পদ্মমনি ;
কলে যেন সেই কথা ইঙ্গিততে সবে,
শুনো যেন তাৰ প্ৰতিধ্বনি।

২১

শুনি আছোঁ স্বৰ্গ হেনো বিতোপন ঠাই,
চিৰকাল বহিছে মলয় ;
বিৰাজে সদাই তাত মধুৰ বসন্ত,
অমৰত্ব যৌৱন সদাই।

২২

নাবাঞ্ছো সি স্বৰ্গ মোক নালাগে নালাগে,
জানো মই নাই সুখ তাত ;
নোৱাৰে পৰ্শিব তাত সুখ আনন্দই,
নাথাকে মৰণ লয় যত।

২৩

মৰণ মৰণ তোৰ অপাৰ মহিমা,
কিযে লীলা সৃষ্টিৰ মাজত ;
তয়ে মাথোঁ হেতু এই সুখ আনন্দৰ
সুমঙ্গল এই সংসাৰত।



২৪

মৃত্যুহীন হলে হায় এই সংসাৰতে
চিৰকাল থাকিব লাগিব ;
নাথাকিব আশা আৰু নাথাকিব মন,
নিৰাশা বিষাদে দেখা দিব।

২৫

অমৰত্ব বৰ বোলে—নোহে বৰ ইটো
ঘোৰ শাপ নিশ্চয় নিশ্চয় ;
আহক যেতিয়া আহে মৃত্যু লয় নাশ,
আদৰিম নকৰোঁ সংশয়।

শ্ৰীজ্ঞাননাথ বৰা।

---

# দুৰ্গসিংহ বা অমৰসিংহ।

এই শাব্দিক মহাপুৰুষৰ নাম ভুৱনবিখ্যাত। এওঁৰ নাম দুৰ্গসিংহ হলেও বিদ্যাৱত্তাৰ কাৰণে অমৰসিংহ বুলিলেহে সকলোৱে জানে। এই অমৰসিংহ বিক্ৰম নৃপতিৰ অসবৰ্ণ ভ্ৰাতা এবং তদীয় নৱৰত্ন সভাৰ অন্যতম ৰত্ন বুলি প্ৰবাদ আছে।

ব্ৰাহ্মণ্যামভবদ্বৰাহ মিহিৰো জ্যোতির্ব্বিদামগ্ৰণীঃ
ৰাজা ভৰ্ত্তৃহৰিশ্চ বিক্ৰমনৃপঃ ক্ষত্ৰাত্মজায়ামভূৎ।
বৈশ্যায়াং হৰিশ্চন্দ্ৰ বৈদ্যতিলকো জাতশ্চ শঙ্কুঃকৃতী
শূদ্ৰায়া মমৰঃ ষাডেৰ শবৰস্বামিদ্বিজস্যাত্মজাঃ ॥—উদ্ভট

ধন্বন্তৰিক্ষপণকামৰসিংহ শঙ্কু
বেতালভট্ট ঘটকৰ্পৰ কালিদাসাঃ।
খ্যাতো বৰাহ মিহিৰো নৃপতেঃ সভায়াং
ৰত্নানি বৈ বৰৰুচিৰ্ণৱ বিক্ৰমস্য ॥—জ্যোতির্ব্বিদাভৰণ

এই অমৰসিংহই কোন সময়ত জন্মগ্ৰহণ কৰি ভাৰত ভূমিক কৃতাৰ্থ কৰিছিল তাক নিশ্চয় কৰা দুৰূহ। জ্যোতিৰ্ব্বিদাভৰণোক্ত অমৰসিংহ হলে খ্ৰীষ্টীয় ষষ্ঠ শতাব্দিৰ বুলিব পাৰি। এই অমৰ নাম জয়ন্তাদি অষ্ট শাব্দিকৰ লগতো উল্লেখ আছে। এই অমৰেই কলাপ ব্যাকৰণৰ বৃত্তি ৰচনা কৰিছিল, কিন্তু তাত দুৰ্গসিংহ নামৰ হে উল্লেখ আছে। নামলিঙ্গানুশাসন বা অমৰকোষ এই দুৰ্গসিংহৰে কীৰ্ত্তিস্তম্ভ। এই অভিধান ৰচনা কৰা বাবেই দুৰ্গসিংহৰ অপৰ নাম অমৰ হয়। শ্ৰীকণ্ঠব্যাখ্যাৰ মতে দেখা যায় যে—

দুৰ্গসিংহ বিৰচিতে নামলিঙ্গানুশাসনে।
লভতে হ্যমৰোপাধিং ৰাজেন্দ্ৰ বিক্ৰমেণ সঃ ॥

দুৰ্গসিংহ কৰ্ত্তৃক নামলিঙ্গানুশাসন অভিধান ৰচনা হোৱাত ৰাজাধিৰাজ বিক্ৰম নৃপতিয়ে তেওঁক অমৰ উপাধিৰে ভূষিত কৰে। তদৱধি তেওঁৰ প্ৰকৃত দুৰ্গসিংহ নাম গুপ্ত হয়, ৰাজদত্ত অমৰ উপাধি এই নামৰূপে জগতত প্ৰখ্যাত হয়। গুণজ্ঞ বিক্ৰম নৃপতিয়ে গুণানুসাৰে যি উপাধি দিলে সেই উপাধিয়ে দুৰ্গসিংহকে প্ৰকৃতই অমৰ কৰিলে। সংস্কৃত ভাষাৰ কোষ বা অভিধান অসংখ্য, এটা উদ্ভট শ্লোকত প্ৰধাণতঃ ২৬ খন অভিধানৰ নাম দেখিবলৈ পোৱা যায়। যথা, মেদিনী, অমৰমালা, ত্ৰিকাণ্ড, ৰত্নমালা, ৰন্তিদেৱ, ভাগুৰি, ব্যাড়ি, শব্দাৰ্ণব, দ্বিৰূপ, কলিঙ্গ, ৰভস, পুৰুষোত্তম, দুৰ্গ, অভিধান মালা, সংসাৰবৰ্ত্ত, শাশ্বত, বিশ্ব, বোপালিত, বাচস্পতি, হলায়ুধ, শব্দাবলী, সাহসাঙ্ক, বিক্ৰমাদিত্য, হেমচন্দ্ৰ, ৰুদ্ৰ, অমৰ। এই ২৬ খন অভিধানৰ ভিতৰত অমৰকোষক শ্লোক কৰ্ত্তাই ( অমৰোহয়ং সনাতনঃ ) বুলি বিশিষ্ট কৰিছে। যাবতীয় সংস্কৃত অভিধানৰ ভিতৰত অমৰৰ অভিধান অতি উৎকৃষ্ট বুলি সকলোৱে মুক্তকণ্ঠে স্বীকাৰ কৰে। এই অমৰকোষ পথ্যাবক্ত্ৰ বৃত্ত বা অনষ্টুপছন্দদ্বাৰাই ৰচিত। এই কোষৰ অধ্যায় বা পৰিচ্ছেদৰ নাম বৰ্গ, নামবিলাকক পৰ্য্যায় বোলে। তিনি কাণ্ডদ্বাৰাই বিভক্ত বাবে এই কোষক ত্ৰিকাণ্ডকোষো বুলিব পাৰি। স্বৰ্গ আৰু পাতাল বৰ্গদ্বাৰাই আদিকাণ্ড, ভূমি, পুৰ, শৈল, বনৌষধি, সিংহাদি, মনুষ্য, ব্ৰহ্ম, ক্ষত্ৰিয় বৈশ্য আৰু শূদ্ৰবৰ্গেৰে, মধ্য কাণ্ড, বিশেষ্যনিঘ্ন, সঙ্কীৰ্ণ, নানাৰ্থ, অব্যয় আৰু লিঙ্গাদি সংগ্ৰহ বৰ্গেৰে



শেষ কাণ্ড। বিশেষ্যনিঘ্নৰ পূৰ্ব্ব ভাগক প্ৰাণিবৰ্গও বোলে। অব্যয় বৰ্গও দুই প্ৰকাৰ, অব্যয় আৰু অব্যয় নানাৰ্থ। এই কোষৰ প্ৰকৃত নাম হৈছে নামলিঙ্গানুশাসন ; অমৰ কৃত বাবে অমৰকোষ।

অমৰকোষৰ অনেক টীকা আছে, সকলো টীকাৰ ভিতৰত ৰায়মুকুটৰ টীকা অতি উপাদেয়। বৰ্ত্তমান সময়ত সমগ্ৰ ৰায়মুকুটৰ টীকা একপ্ৰকাৰ দুষ্প্ৰাপ্য। ৰায়মুকুটৰ টীকাৰ পাছতে ৰঘুনাথ চক্ৰবৰ্ত্তীৰ ত্ৰিকাণ্ড চিন্তামণি নামক টীকাও পাঠাৰ্থীসকলৰ পক্ষে বিশেষ উপকাৰী। অন্যনিলাক টীকা সংক্ষিপ্ত ভাবে ততদূৰ কাৰ্য্যকাৰিণী নহয়। দুৰ্গসিংহই এই কোষ সঙ্কলন কৰোঁতে সময়ত অপৰাপৰ কোষৰ সহায় লোৱা নিজেই স্বীকাৰ কৰিছে।

সমাহৃত্যান্যতন্ত্ৰানি সংক্ষিপ্তৈঃ প্ৰতিসংস্কৃতৈঃ।
সম্পূৰ্ণমুচ্যতে বৰ্গৈ ৰ্নামলিঙ্গানুশাসনম্ ॥

অপৰসকলৰ শব্দশাস্ত্ৰ সংগ্ৰহ কৰি সংক্ষিপ্ত অথচ প্ৰতিসংস্কৃত শব্দদ্বাৰাই বৰ্গানুসাৰে সম্পূৰ্ণৰূপে নামলিঙ্গানুশাসন শাস্ত্ৰ কোৱা হব। টীকাকাৰ ৰঘুনাথ চক্ৰবৰ্ত্তীয়ে ( অন্যতন্ত্ৰাণি ) এই পদটিৰ ত্ৰিকাণ্ড, উৎপাদিনী, ব্যাড়ি, ৰৰৰুচি, বামণ, ৰুদ্ৰ, আৰু ৰভসৰ নাম উল্লেখ কৰিছে। অৰ্থাৎ এই বিলাক কোষৰপৰাই অমৰ সিংহই কোষ সংগ্ৰহ কৰিছে বুলি ৰঘুনাথে প্ৰকাশ কৰিছে। অমৰ সিংহৰ নিচিনা এজন মহাশাব্দিকে অপৰ শাব্দিকৰ সাহায্য লোৱা মনত নালাগে অথচ ( সমাহৃত্যান্য তন্ত্ৰাণি ) বুলি উল্লেখো কৰিছে ; অপৰৰ সাহায্য বতিৰেকে স্বপ্ৰতিভা বলেৰে ইমান এখন ডাঙৰ উপাদেয় কোষ কৰাও মনুষ্য শক্তিত টান বুলিব লাগে। এতেকে কাৰ নো সহায় লৈছিল অলপ ভাবিব লগীয়া।

আমি অনেক অনুসন্ধান কৰি বুজিব পাৰিছোঁ যে অমৰসিংহই এই কোষ ৰচনা কৰোঁতে বিশেষৰূপে অগ্নিপুৰাণৰ সহায় লোৱা যেন দেখি। অগ্নিপুৰাণৰ ৩৫৯ অধ্যায়ৰপৰা ৩৬৭ অধ্যায়লৈকে সমুদয় কোষোক্ত পৰ্য্যায়। ইয়াতে একাক্ষৰ কোষো আছে। অগ্নিপুৰাণত নামলিঙ্গানুশাসন নামকে দিছে, তদুপৰি স্বৰ্গ, পাতাল, অব্যয়, নানাৰ্থ, ভূ, পুৰ, বনৌষধি, সিংহাদি, মনুষ্য, ব্ৰহ্ম, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ, সামান্য নামে বৰ্গও আছে। অমৰ

সিংহই কিছুমান পৰ্য্যায় অবিকল উদ্ধৃত কৰিছে, কিছুমান পৰিবৰ্ত্তিত আৰু পৰিবৰ্দ্ধিত কৰিছে। অগ্নিপুৰাণৰ প্ৰথম কোষাৰম্ভ এই—

অগ্নিৰুবাচ। স্বৰ্গাদিনামলিঙ্গো যো হৰিস্তং প্ৰবদামি তে।
স্বঃ স্বৰ্গনাক ত্ৰিদিবা দ্যো দিবৌ দ্বে ত্ৰিপিষ্টপম্॥
দেবা বৃন্দাৰকা লেখা ৰুদ্ৰাদ্যা গণদেবতাঃ।
বিদ্যাধৰোঽপ্সৰো যক্ষৰক্ষোগন্ধৰ্ব্ব কিন্নৰাঃ॥

অগ্নিপুৰাণে এই ক্ৰমেই সমস্ত নামলিঙ্গানুশাসন কোষ সমাপ্ত কৰিছে। অমৰ সিংহই অগ্নিপুৰাণৰ যিবিলাক পৰ্য্যায় অবিকল উদ্ধৃত কৰিছে, তাৰ ভিতৰৰে গোটাদেক আনি তলত তুলি দিলোঁ।

কপৰ্দ্দোঽস্য জটাজুটঃ পিণাকোঽজগবং ধনুঃ।
ৰোচিঃ শোচিৰুভে ক্লীবে প্ৰকাশোদ্যোত আতপঃ।
আতৰস্তৰপণ্যংস্যাৎ দ্ৰোণী কাষ্ঠাম্বু বাহিনী।
অলং ভূষণ পৰ্য্যাপ্তিঃ শক্তিৰ্ব্বাৰণ বাচকম্।
আকাশে ত্ৰিদিবে নাকো লোকস্তু ভূবনে জনে।
আৰামঃস্যাদুপবনং কৃত্ৰিমং বনমেবয়ৎ।

অধিক উদ্ধৃত কৰিবলৈ অসমৰ্থ, যাৰ ইচ্ছা আছে, অগ্নিপুৰাণ দেখিলে বুজিব পাৰিব। এই দিনতে ইয়াকো কোৱা উচিত যে অগ্নিপুৰাণত ব্যাকৰণৰ নিয়ম, ছন্দঃ বিবৰণ, কাব্য নাটকৰ লক্ষণ, অলঙ্কাৰ, দোষ গুণ ৰীতি আদিৰ বিবৰণ যথাবৎৰূপে বিবৃত আছে। অতীজৰ শাব্দিক আৰু কবি সকলৰ অগ্নিপুৰাণেই প্ৰধান অৱলম্বন বুলি কব পাৰি। অমৰসিংহৰ অমৰ কোষ ৰচনাত অগ্নিপুৰাণ প্ৰধান অৱলম্বন ইয়াৰ বিষয় যথাৰত কোৱা হল। এতিয়া অমৰ-সিংহ কোন পন্থী অৰ্থাৎ কোন ধৰ্ম্মাৱলম্বী সেই বিষয়ে অলপ বিবেচনা কৰি এই প্ৰবন্ধ শেষ কৰা হওক। অমৰসিংহৰ স্বকীয় কোষৰ মঙ্গলাচৰণ শ্লোক এই

যস্য জ্ঞানদয়া সিন্ধো ৰগাধস্যা নঘা গুণাঃ।
সেব্যতামক্ষয়ো ধীৰাঃ স শ্ৰিয়েচামৃতায় চ॥

হে ধীৰগণ! যি জ্ঞান আৰু দয়াৰ সমুদ্ৰস্বৰূপ যাৰ মহাত্ম্য দুৰ্জ্ঞেয় যাৰ গুণসমুদয় নিৰ্ম্মল, সেই অব্যয় পুৰুষক সম্পদ আৰু মুক্তিৰ নিমিত্তে আৰাধনা



কৰা। এই মঙ্গলাচৰণ শ্লোকত প্ৰকাশ্যৰূপে কোনো দেৱতাৰ নামোল্লেখ নাই, দ্বিতীয়তঃ স্বকীয় কোষত দুই প্ৰকাৰে বিস্তীৰ্ণৰূপে বুদ্ধৰ নাম উল্লেখ কৰিছে। এই উভয় কাৰণত অনেকে অমৰ সিংহক বৌদ্ধধৰ্ম্মাৱলম্বী বোলে। টীকাকাৰসকলে হলে মঙ্গলাচৰণ শ্লোকটীৰ ব্যাখ্যা কোনোমতেই বুদ্ধৰ ফালে নিব নোখোজে, বিষ্ণু বা সমুদ্ৰত হে অন্বয় কৰে। বুদ্ধৰ নাম লেখা বাবেই যে অমৰ বৌদ্ধ এনে সিদ্ধান্ত কৰাও অসঙ্গত। কাৰণ, অগ্নিপুৰাণতো সংক্ষেপে বুদ্ধৰ নাম দেখিবলৈ পোৱা যায়। "দেবৰ্ষিযোঽসুৰাদৈত্যাঃ স্বগতঃ স্যাত্তথাগতঃ" ইয়াত স্বগত আগত শব্দই বুদ্ধক বুজাইছে। আৰু অমৰে বুদ্ধৰ নাম যেনেকৈ বিস্তাৰিতৰূপে সংগ্ৰহ কৰিছে, অন্যান্য দেবদেবীৰ নামো সেই দৰেই লেখিছে। এতকে অমৰক সতকাই বৌদ্ধ বুলিব নোৱাৰি। প্ৰসঙ্গত বুদ্ধৰ বিষয়ে অলপ বহলাই কোৱা যাওক। অমৰ সিংহই বুদ্ধৰ দুই প্ৰকাৰে নাম সংগ্ৰহ কৰিছে। প্ৰথম

সৰ্ব্বজ্ঞঃ স্বগতো বুদ্ধো ধৰ্ম্মৰাজস্তথাগতঃ।
সমন্তভদ্ৰো ভগবান্ মাৰজিৎ লোকজিৎ জিনঃ॥
ষড়ভিজ্ঞো দশবলোঽদ্বয়বাদী বিনায়কঃ।
মুনীন্দ্ৰঃ শ্ৰীঘনঃ শাস্তা মুনিঃ——

এই ওঠৰটি বুদ্ধৰ নাম। তৎপৰ

শাক্যমুনি স্তু যঃ
স শাক্যসিংহঃ সৰ্ব্বাৰ্থসিদ্ধ শৌদ্ধোদনিশ্চসঃ।
গৌতমশ্চাৰ্কবন্ধুশ্চ মায়াদেবী সুত শ্চ সঃ॥

এই সাতোটি নামে শাক্যবংশোদ্ভৱ বুদ্ধক বুজায়। এই জনা বুদ্ধৰ পিতৃ শুদ্ধোদন, মাতৃ মায়াদেবী। কপিলবংশৰ গোতম মুনিৰ শিষ্য বাবে গৌতম, সূৰ্য্যবংশীয় বাবে অৰ্কবন্ধু। এই বুদ্ধ শুদ্ধোদন ৰজাৰ পুত্ৰ হলে শ্ৰীমদ্ভাগৱতৰ বুদ্ধাৱতাৰ স্বতন্ত্ৰ হয়। শ্ৰীমদ্ভাগৱতত কথিত আছে যে

ততঃ কলৌ সম্প্ৰবৃত্তে সম্মোহায় সুৰদ্বিষাং।
বুদ্ধো নাম্না জিনসুতঃ কীকটেষু ভবিষ্যতি——॥

কলিযুগ প্ৰবৃত্ত হলে দৈত্য মোহনৰ নিমিত্তে গয়াধামত ভগৱান জিনপুত্ৰ হৈ বুদ্ধনামে অৱতাৰ হব। এই বুদ্ধই ভগৱানৰ নৱম অৱতাৰ। নাৰায়ণাংশ

দৈত্যমোহনকাৰী বুদ্ধদেৱ বৈদিক ধৰ্ম্মাৱলম্বীৰো নমস্য। অমৰকোষৰ মঙ্গলাচৰণৰ শ্লোক বুদ্ধৰ বিস্তাৰিতস্বৰূপে নাম সংগ্ৰহ সমালোচনা কৰি দেখিলে অমৰক বৌদ্ধ বুলিব নোৱাৰি। বৈদিক হোৱা হলে মঙ্গলাচৰণৰ শ্লোকত অভীষ্টদেৱতাৰ নাম স্পষ্ট উল্লেখ কৰিলেহেঁতেন। জ্ঞানসাগৰ দয়াসাগৰ অগাধ নিৰ্ম্মলগুণ ইত্যাদি বিশেষণ প্ৰায় বুদ্ধদেৱতে হে আৰোপিত হয়।

যদিও অমৰ সিংহই বুদ্ধৰ প্ৰাধান্য অৰ্থতঃ স্বীকাৰ কৰিলে, কিন্তু শব্দতঃ ব্যক্ত নকৰিলে। তেওঁ ভাবিছিল যে শব্দতঃ বুদ্ধৰ নাম প্ৰকাশ হলে তেওঁৰ ৰচিত কোষ বৈদিক সমাজত অনাদৃত হব পাৰে, এই হেতুকেই নানাৰ্থ দ্যোতক পদদ্বাৰাই আদি শ্লোক ৰচনা কৰি তেওঁ অভিধান সৰ্ব্বাদৃত কৰিলে। অমৰ সিংহ যেই ধৰ্ম্মী হওক তাৰ বিচাৰ আমাৰ অনাবশ্যক, গুণজ্ঞজনে গুণীৰ আদৰ ভালকৈ জানে, তদনুসাৰে গুণীয়ে সন্মান পায়।

গুণিনি গুণজ্ঞো ৰমতে নাগুণশীলস্য গুণিনি পৰিতোষঃ।
অলিৰেতি বনাৎ কমলং নহি ভেক স্তেক বাসোঽপি॥
ইত্যাস্তাং বিস্তৰঃ

শ্ৰীকীৰ্ত্তিচন্দ্ৰদেৱ গোস্বামী

---

# আমাৰ তীৰ্থ পৰ্য্যটন।

আমি তীৰ্থ পৰ্য্যটন কৰিম কৰিম বুলি মনতে বহুদিনৰপৰা ভাবি আছিলোঁ। জগৎকৰ্ত্তাই জানিবা এই বৎসৰৰ আঘোণ মাহত সিদ্ধি কৰিলে।

আমি ধনহীন প্ৰাণী গতিকে, নিজ গুৰুৰ আশ্ৰয় ললোঁ। গুৰুৰ অৱস্থা আমাতকৈয়ো শোচনীয়, এই হেতুকে তীৰ্থ কৰিবৰ কাৰণ ভিক্ষাবৃত্তি আশ্ৰয় কৰি, গুৰু শিষ্য দুয়ো ঘৰৰপৰা বাহিৰ হলোঁহঁক

১৮৩৫ শকৰ আশ্বিনৰ ২তাৰিখে যাত্ৰা কৰি সমিপৱৰ্ত্তী এখনি গাৱঁত তিনি চাৰি দিন বাস কৰি, কিঞ্চিৎ অৰ্থ উপাৰ্জ্জন কৰি দুয়ো পৰামৰ্শ কৰিলোঁ, যে গাৱঁত ভিক্ষা কৰাতকৈ, বাগিছা, মহকুমা, জিলা কুৰিলে সৰহকৈ পাম



ইয়াকে স্থিৰ কৰি, গাওঁ এৰি বাগিছা সোমোৱা হল। "যং যং ধাৱতি ভাগ্যহীনপুৰুষঃ, তত্ৰৈব ঘোৰাবিপদ" এই মহাবাক্যই অমাৰ পাছ ললেহি। আমি থকাৰপৰা অলপ দূৰৈতে এখন বাগিছা আছে। গুৰুজনে কলে "বোপাই, বাগানৰ মেনেজৰ সুন্দৰ লোক আছিল। তেওঁ মোক অনেক সময়ত সহায় কৰিছিল। পুতেকো মিজন গৰাকী হৈ আছে, তেওঁ সৰ্ব্বাঙ্গসুন্দৰ, অৱশ্যে আমি সহায় পাম আৰু তাত থাকিবলৈ ভাল পাম।" মই কলোঁ "যদি ভালকৈ খাবলৈ পাওঁ, থাকিবলৈ পাওঁ দুটাচাইটা পইচা পাওঁ, তেন্তে যোৱাইহে ভাল।" ইয়াকে কোৱা মেলা কৰি যাত্ৰা কৰিলোঁহঁক। আমি গৈ বঙ্গলাৰ মুখ পালোঁহঁক। বঙ্গলাৰ মুখতে এটা বঙ্গালী কুলীয়ে[2] বননিৰ ওপৰতে বহি হাততে চিঠি এখনি লৈ, বঙ্গলাৰ দুৱাৰ নিৰীক্ষণ কৰি আছে, সি আমাক মৃদুস্বৰেৰে কলে, যে, মেনেজৰ চাহাব বাহাদুৰে শয়ন কৰিছে, গোলমাল নকৰিবা, চুপচাপ থাকা, নতুবা স্থানান্তৰে গমন কৰা, চাৰে তিন বজাত আহিবা। আমি সেই কথালৈ ভ্ৰুক্ষেপ নকৰি, অসমীয়া মানুহৰ ঘৰলৈ সোমোৱাদি সোমাই আহি গুৰু এখন চকিত বহিপৰিল, মইয়ো মুখতে টোপোলাটি লৈ মাটিতে শুই পৰিলোঁ। বঙ্গলাটি সৰু, বেৰবিলাক ইটাৰ, ওপৰে খেৰ, দেখিবলৈ বৰ সুন্দৰ। এখনি মেজত এটি ফনোগ্ৰাফ কল আছে, আৰু এখনি মেজ সুদৃশ্য বস্ত্ৰে সুসজ্জিত আৰু কাপ মৈলাম বাহিৰে ভৰি থাছে। বেৰখনত এযাৰটা চাহাবী টুপি গজালত শাৰীকৈ আৰি থৈছে। আমি এইবিলাক দেখি বৰ সন্তোষ পালোহঁক। এই বস্তুবোৰ বঙ্গলাৰ মুখৰ ঘৰচুখৰিৰ ভিতৰত। ভিতৰৰ ফালে ভুমুকিয়াই চালোঁ, একো নাই; মাজৰ কোঠালিটি উদং, এমূৰে এখনি পালেং আছে। ইমুৰে কিটা নাম-নাকতিডালদেক আছে। মই কলোঁ "প্ৰভু, ভিতৰত একো নাই, যি আছে সোপাকে বাহিৰত উলিয়াই থৈছে।" গোসাঁয়ে কলে "মনে মনে থাক। চকিদাৰ বুলি মাতচোন।" মই এই কথা শুনা মাত্ৰকে "চকিদাৰ চকিদাৰ" বুলি মাতিবলৈ ধৰিলোঁ। আমাৰ কপালেদে চকিদাৰ ওলাই নাহিল। অৱশেষত ১০ মিনিট মানৰ পাছত, এজন ডেকা ভদ্ৰলোক ওলাই আহিল। লোকজন ১৫।১৬ বৎসৰীয়া, গাতে কামিজ চোলা এটি পিন্ধা, কলাকিনাৰি ধুতিখনিৰ আগ ঠোৰটি গাতে

২| আণ্ডি-ঝানি কাপোৰ আঁচলা-দঃ, চে. চঁ.

মোবোৱা, হাতত বেত এডালি, চকু দুটি ৰঙা, ক্রোধত অস্থিৰ, ভৰিত চিলপট। তেওঁ আহি আমাৰ ওচৰত থিয় হৈ, বৰ খঙেৰে কলে, "খি বস্তু লাগে?" আমাৰ গোসাঁয়ে কলে, "কি কি বস্তু গোটাই থৈছা নাম শুনিলেহে কি লাগে কব পাৰোঁ। বাক অলপ বহোঁচোন, কথাবার্ত্তা হওঁ!" তেওঁ কলে—"হেইটো মেনেজৰ চাহাবৰ বঙ্গলা থোমালোকে নাই জানিছে? থোমালোকক চেয়াৰত বহিবলৈ খোনে কৈছিল? ডেম চহা অসমীয়া আদমি! থুমি হামাক চিনি নাই পাইছে! থুমি হামাক চেলাম দিব লাগে বুলি নাই জানিছে! আভি বাহিৰ হও। মোৰ লগত তহঁতৰ কোনো কাম নাই আছে। চহা আদমী, তহতৰ লগত মই কথা নাই হম। আভি যাও।"

গোসাঁই স্বগত,-এইটো কৰ লৰা? ডাঙৰীয়াৰ পুতেক নহয়, ভাষাবোৰ ভয়ানক কর্কশ। কি বিপদ! বাগিছাৰ গৰাকিজনক মই চিনি পাওঁ, তেওঁ বৰ সুন্দৰ লোক, ইয়াক গোধকৰোঁ মেনেজৰ পাতি থৈছে। ইনো মোক কি কৰিব, ইয়াৰ আগত সক কথা নকওঁ। প্রকাশ্যে—"বোপা! দুই বাজিলে পা ঠাণ্ডা পৰিলে যাম, এতিয়া ইমান বদ, বাৰ বাজিছে, এতিয়া নাযাওঁ।" এই কথা শুনা মাত্রকে তেওঁ দ্বিগুণ ক্রোধত জ্বলি, ধলংপলং কৰি এটি কোঠাত সোমাল। এনে সময়তে এজন মানুহে আহি মৃদুস্বৰেৰে কলে, "প্রভো! ইয়াৰপৰা যাওক। ই কাকো নামানে। ইয়াৰ বিশেষ বিদ্যাবুদ্ধি নাই, নিচেই গৰিপ মানুহৰ লৰা, ভালমানুহৰ লগত দেখাসাক্ষাতেই নাই, হাই ইস্কুলৰ চতুর্থ শ্রেণীলৈ পঢ়া, এতিয়া সমস্তীয়া মানুহ বাবেহে ডাঙৰীয়াৰ বঙ্গলাতে বহিব পৰিছে। তাৰ নিচিনাবোৰে চকিদাৰীও পেৱো নাই। আৰু প্রভো! এইটো দেখোন জানেই। "নীচ লোকৰ বেটা বৰ মানুহ হয়। মাথাত পাগ লৈ ঘূৰি ঘূৰি চায়।' বিদ্যাবুদ্ধি থকাহেতেন এনে নহলহেতেন।" আমিও তাকে শুনি উঠি গুচি আহিলোঁ। তাৰ পাছত আমি থুনুটাই বাগান পালোঁহক। তাত বামুণ মহৰী এজনৰ ঘৰতে বাস কৰা হল। মহৰী কেইজনে আমাক যথোচিত সমাদৰ কৰিলে। আৰু আমাৰ গুৰুজনক কলে যে "প্রভু, কাইলৈ আপুনি থাকিব লাগিব। আমাৰ ইয়াত বুধবাৰে বুধবাৰে একোখনি ধর্ম্ম বিষয়ক সভা হয়। তাত গীতা ভাগৱতাদি পাঠ হয়। প্রকৃত বৈষ্ণৱধর্ম্মৰ আলোচনা হয়। লোকৰ মুখে শুনিছোঁহক যে আপুনি গীতা ভাগৱত বহুতদূৰ জানে, সেই কাৰণে কাইলে আমাকে অলপমান শুনাব লাগে।" গুৰুজনে সেই কথাত সম্মত হল আৰু তেওঁলোকে কোৱা কার্য্যত ভৰ দিলে। গুৰুজনৰ গীতাৰ বক্তৃতা শুনি মহৰীসকলে বৰ সন্তোষ পালে আৰু তোলামেলা কৰি ৰূপ ১২ টকা দি বিদায় দিলে।



এই বাগিছাত তিনি ৰাত্রি বাস কৰি প্রস্থান কৰা হল। বাটতে এজন পথিকৰ মুখে এজন ধনী মানুহৰ কথা শুনিলোঁ। পথিকে আমাৰ সকলো কথা শুনি উত্তৰ কৰিলে, আপোনাসকল • বাগিচালৈ যাওক, বাগিচাৰ মেনেজৰে ধনবিলাক চাউল চটি বা দি চটিয়ায় সিদিনা এখন মটৰ বাইচাইকল ৮০০ টকা দি কিনিছিল, পাছে উঠিব নোৱাৰি লোহাৰ বৰ হাটুৰিৰে মাৰিয়াই ভাঙি পেলালে। তাৰ পাছত ১০০ টকা দি ঘূৰী এজনী কিনিলে, ৪০০ দি বাগি এখনি কিনিলে, এমাহ মানৰ পাছত ঘূৰীজনীৰ ভৰিত অলপ বেমাৰ হোৱা দেখি, দুইনলী বন্দুকৰ মুখত তাইক উৰাই পঠিয়ালে। বাগিখনি দেহৰ অর্থে বেজাৰত অগ্নিত আহুতি কৰিলে। এনে ধনৰ মুখলৈ নোচোৱা লোক। প্রতিদিনে ১০।১২ টকাৰ একোটা পার্চেল আহি থাকে, সেই পার্চেলত কি আছে জানিছা নে? তেল, সেন্দুৰ আর্চী, ফনি, উর্মাল, কাচৰ বাটি, গিলাচ, জেকেট, কোট, কামিজ, গুদাম, ইত্যাদি যাৱতীয় দ্রব্য আছে, অন্ত কি তিয়নি-চুৰিয়া এডোখৰ কেঞ্চাৰ দোকানৰপৰা নানে, কলিকতাৰপৰা এটাইবোৰ চালান আহি থাকে। খোৱা কথা নো কম কি? সাজাত ৫ টকাৰ কমে ভোজন কৰিব নোৱাৰে। আৰু দুখীয়া দৰিদ্রলোকক গাঁঠনিয়ে ধন সোণ দান কৰে। অতএব আপোনাসকল সেই বাগিছালৈ গমন কৰক।" ইয়াকে শুনি আমি অন্য ঠাইলৈ নগৈ, বাগিছালৈ গমন কৰিলোঁহক। কতদিনে আহি বাগিছা পাই দেখিলোঁ, বাগিছাখনি পৰিষ্কাৰ, বঙলাটি তথৈবচ। মেনেজৰ চাহাবজনা অসমীয়া, বয়স ১৫।১৬ বৎসৰমান হৈছে; বৰণটি মাগুৰ বৰণীয়া; বিদ্যাবুদ্ধি হলে বাকি নাই, একেবাৰেই তৰ, হাই ইস্কুলৰ সপ্তম শ্রেণী পর্য্যন্ত শেষ কৰা, চৌবিশ ঘণ্টাৰ ভিতৰত বাহিৰে ভিতৰে সদাই ঠেঙা পিন্ধা। আমি তেওঁক দেখি,

মনতে ভাবিলোঁ, বাকলি, পূৰ্ব্বৰ মেনেজৰে কৰাদি কৰিবনে কি? ইয়াকে ভাবি, ঈশ্বৰক চিন্তি, বঙলাৰ দুৱাৰ-মুখত সন্ধ্যা সময়ত উপস্থিত হলোঁহঁক। তেওঁ আমাক দেখি জানিবা, আদৰ কৰি বহিবলৈ দি, কৰপৰা আহিছাহঁক বুলি সুধিলে। আমাৰ মুখে আগমন বাৰ্ত্তা শ্ৰৱণ কৰি তেওঁ একোকে নকলে। আমি কিছুমান বেলি বহি থাকি, এজন বামুণ মহৰিৰ ঘৰতে ৰাত্ৰি বাস কৰা হল। পথিকৰ মুখে শুনাৰ দৰে সকলো কথা সত্য, কেৱল ধৰ্ম্মকৰ্ম্ম, দান পুণ্য, অতিথি অভ্যাগত কাক বোলে সেইটোকেহে নাজানে, এহেঁতে সকলো জানে। পাছে আমি তিনি দিন বাস কৰি, চাহাবৰ ওচৰত বিদায় প্ৰাৰ্থনা কৰা হল। তেওঁ আমাক ৰূপ এটকি দি বিদায় দিবলৈ বৰকেৰাণী বাবুলৈ লিখিলে। বৰ কেৰাণী বাবুৱে চাহাবক অনেক কথা বুজাই কৈ দুটকি ৰূপ দি বিদায় দিয়ালে। ইয়াতে বাগিচাৰ কাণ্ড শেষ কৰি নগৰ প্ৰবেশ কৰা হল। নগৰস্থ, শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত -বেজবৰুৱাই গুৰুজনৰ লগত বহুত ধৰ্ম্মালোচনা কৰি সন্তুষ্ট হৈ দশ টকি ৰূপ দি বিদায় দিলে। তাৰ পাছত ফুৰি ফুৰি ভয়ানক ধনী বাবু এঘৰি পালোঁহঁক। তেওঁৰ ঘৰটি লোহাৰ খুটাৰে গঠিত, তিনি মহল বিশিষ্ট। তেওঁৰ ভাই ককাই বংশ পৰিয়ালৰ লেখজোখ নাই। তেৰোঁ মেনেজাৰ চাহাব। আমাৰ গুৰুজনৰ লগত তেওঁ পাঁচ দিন ধৰ্ম্মবিষয়ে আলোচনা কৰি বৰ সন্তুষ্ট হৈ, আমাক পোনে পোন একেবাৰেই পকা চকচকীয়া নগদ কোঃ এটকা ৰূপ দিলে, তাৰ ওপৰতো কৈছিল যে "মোৰ ভণ্ডাপইচা থকাহলে আপোনাক আৰু দুখনা মান দিলোঁহেঁতেন, মই তাকৰকৈ মানুহক দান কৰিব নোৱাৰোঁ!" গুৰুজনে কলে— "ডাঙৰীয়া আমি চাৰি অনা পইচা পাবলগীয়া. মহাজন, তেনে স্থলত এটকাৰূপ দিছে আৰু কিমন দিব। আপোনাৰ মুঠিটো ঢিলা। এইদৰে হলে কেনেকৈ ঘৰ চলাব? কেনেকৈ বাগিছা চলাব? এই দৰে টকাটকে দিবলৈ ধৰিলে ভিতৰে ফোপোলা হব ডাঙৰীয়া! সকলো কথা চাইচিতি কৰিব।" ডাঙৰীয়াই কলে—"গোসাঁই দেও, আপোনাৰে লগত পাঁচ দিন ধৰ্ম্মচৰ্চ্চা কৰি সান্তোষ পাইহে একেবা সৰহকৈ দিলোঁ, আনবিলাকক দু অনা, এক অনা দি খেদি দিওঁ"। এইদৰে কথাবাৰ্ত্তা পাতি থাকোঁতেই,



জনচেৰেক ভদ্ৰলোক আহি তাচ খেলিবৰ কাৰণে তাতে বহি পৰিল। পাছে তেওঁলোকে আমাৰ গুৰুজনৰ লগত কথা-বাৰ্ত্তা পাতিবলৈ আৰম্ভ কৰিলে। অৱশেষত সকলো সন্তোষহৈ প্ৰতিজনে গুৰুক এটকি এটকি ৰূপ দিলে। পাছত সকলোজনে পৰামৰ্শ কৰি কলে—"গোসাঞিদেউ, আপুনি আমাৰ বৰ বৰ ধনী গোসাঁইসকললৈ. ভিক্ষা কৰি এখনি পত্ৰ লিখক, অৱশ্যে তেৰাসকলে আপোনাকে ধৰ্ম্মাৰ্থে দান কৰিব।" তাতে এজনে কলে "গোসাই সকলৰপৰা, চিচি পত্ৰ লিখি যদি এটকা ৰূপ আনিব পাৰে তেনেহলে মই নিশ্চয় কলোঁ মই তিন দিন, নাঙঠ হৈ থাকিম আৰু তোমালোকে মোৰ কাণ মোহাৰিবাহঁক। কেতিয়াও গোসাঁই সকলে পইচা নিদিয়ে, নিশ্চয় কলোঁ। গোসাঁই দেউ! ইহঁতৰ কথাৰে আপুনি চিঠি নিলিখিব।" এই কথা শুনি বাকি কিজনে কলে, গোসাঁই দেউ, আপুনি লিখক, ইয়াৰ কথা নুশুনিব, তেওঁবিলাক ধৰ্ম্মৰ নেতা, ধৰ্ম্মাৰ্থে সকলো কাম কৰে, ধৰ্ম্মবীৰ, ধৰ্ম্মপ্ৰচাৰক, ধৰ্ম্মপালক, ভাগৱতী ধৰ্ম্মৰ কৰ্ত্তা, বক্তা, প্ৰবৰ্ত্তক, অতএব অৱশ্যে মনিঅৰ্ডাৰ কৰি তেওঁলোকে টকা পঠাব; যদি ৰূপ নপায়, আমাক ই সোতাৰে কোবাব, নিশ্চয় কলোঁ।" আমি এই কথা শুনি অবাক হৈ শুনি আছোঁ। অৱশেষত পৰস্পৰৰ ভয়ানক তৰ্ক বিতৰ্ক হৈ, চিঠি লেখিবলৈকে স্থিৰ হল। তাৰ ভিতৰৰে এজনে, ভিক্ষাপত্ৰ বিলাক লিখি, আমাৰ গোসাঁইৰ হতুৱাই চহি কৰাই, ডাকযোগে প্ৰেৰণ কৰিলে। অৱশেষত, কোনেও এটকিও নপঠালে, ৰূপলৈ বাটচোৱাই আমাকো ১৫ দিন খৰলি থুৱালে। প্ৰতি দিনে দুয়ো দলৰ লোকসকলে আমাক আহি শোধে, "ৰূপ কৰবাৰ আহিছে নে?" এনে বুলি সুধিলেই মই থপহাই কৈ দিওঁ "নাই অহা"। এই কথা শুনি হাৰিবলৈ যোৱা দলৰ লোকৰ মুখখনি শুকাই কৰাই-খোলা যেন হয়। এই দৰে সিদলৰ মানুহে শোধেহি, "কৰবাৰ কিবা আহিছেনে?" মই নাই অহা বুলিলে, হাঁহি বাগৰি যায়। এই দৰে ১৫ দিন গত হল, এনেসময়তে, পুৰণিমাটি সত্ৰাধিকাৰে ১০ দহ টকা মণিঅৰ্ডৰ কৰি পঠালে। তেখেতে জানিবা কোবত ৰাখিলে। সকলোজনে গোটখাই, পূৰ্ব্বৰ চুক্তিমতে দণ্ড লবলৈ পৰামৰ্শ কৰিছে। এদলে কৈছে, আমাক সোতাৰে কোবালে একো জগৰ নাই, পূৰ্ব্বে কৈ

থৈছোঁ। ইদলে কৈছে মই তেও নাওঠ হৰ নলগা হল, মোৰ কথাকাকি গোবিন্দে ৰাখিলে; নেৰাখিব কিয়, মই জানো মিছা কথা কৈছিলোঁ, স্বভাব চৰিত্ৰ চাই দেখি শুনিহে কৈছিলোঁ। এই দৰে ভয়ানক তৰ্ক বিতৰ্ক কৰি আছে, এনেতে এজন বয়োবৃদ্ধ ব্ৰাহ্মণ উপস্থিত হৈ সিদ্ধান্ত কৰিলে,— "বোপাহঁত, তোমালোকে মিছাতে কাজিয়া কৰি নমৰিবাহঁক। নাওঠ হবও নালাগে, সোতাৰ কোৰ খাবও নালাগে, তোমালকে মোটৰ ওপৰত কথা নাজানাহঁক, আমাৰ দেশৰ ধনী গোসাঁইসকলে সৎ কৰ্ম্মত ধন ব্যয় কৰা হলে অসম্ভৱ বহুৎ উন্নতি হলহেঁতেন। আমাৰ দেশৰ হৈছে,—'টকা ধৰ্ম্ম, টকা কৰ্ম্ম, টকাহি পৰমংতপ। যস্যহস্তে টকানাস্তি হা হা টক্ টক্টকায়তে ॥' মোৰ নিজ গুৰুৰ কথা কওঁ শুনা,—তেখেত আগম ধৰ্ম্মৰ অধ্যক্ষ, ভয়ানক ধনী, সুতৰ টকাৰ লগত একে. একো ঘৰ মানুহক ভেটিয়ে-কলাপুলিয়ে থানি পেলাইছে। এটি হাতী আছে, বিবাহৰ সময়ত সকলোৱে ধৰে, যেয়ে ধৰে তাকে দিম বুলি এটকি ৰূপ বইনা লয়, এই দৰে যত লোৱা লোক আছে সকলোৰপৰা বইনা লৈ দিম দিম বুলি কয়, অৱশেষত সৰহকৈ যেয়ে দিয়ে তাকে দি পেলায়, বাকিবিলাকে গালি শপনি শাউ দি থাকে। তেওঁ সেই দৰে লোৱা বইনাৰ ৰূপবিলাক লাভতে পালে, তথাপি ধনী দেখি তেওক কোনেও বেয়া নোবোলে, মোৰ ঈশ্বৰ ঈশ্বৰ বুলি তেওঁৰপৰা দীক্ষা লবই লাগিছে।" ইয়াকে শুনি আৰু এজনে কলে, "বাগীশৰ এহে জাৰ ৰূপৰ লগত ৫০০০ পাঁচ হেজাৰ লৈ, বাৰিয়ে মাটিয়ে লিলাম কৰাজন কোন গোসাঁই?" বুঢ়া বিপ্ৰই কলে "আমাৰ জনাই।" এজনে কলে সিদিনা এজনা গোসাঞি দেখিলোঁ, আঠুৰ মুৰতে চুৰিয়া এডুখৰি, তামোলৰ পিকে গা গোটেইটো ৰঙা, এথনি ৰথত উঠি গৈছে; ৰথৰ ৰূপ কি বৰ্ণনা কৰিম, অসমীয়া লেবেলা গৰু এহালি, ৩ ফুট ওখ ২ ফুট বহল আগে গুৰিয়ে সমান এখনি টকৌ পাতৰ চৈ, তাৰ ভিতৰতে লেবাই, চুচৰি গোসাঁইঈশ্বৰ এজনা সোমাই গৈছে, চৈখানৰ তলত বহিব নোৱাৰি। সেই জনা কোন গোসাই?" বৃদ্ধ বিপ্ৰই কলে "আমাৰ জনা গুৰু, বোপাই, তুমি কতবাত দেখিলা।",

আৰু এজন ডেকালৰাই কলে, "আমাৰ গুৰু মাছতে চহকি হল। এজনে সুধিলে কেনেকৈ মাছত চহকি হল? আমাৰ গুৰুৰ বহুত বিল আছে,



সেইবিলাক ডোমে[১] গোসাঁইৰপৰা লিলামত লয়। এই ধনতে চহকি হৈছে।" বৃদ্ধ ব্ৰাহ্মণে কলে "বোপাইত, তইতে নিশ্চয় জানিবি, প্ৰায়বিলাক বেপাৰি কাৰবাৰী হল। কোনোজন কাঠৰ কাৰবাৰী, কোনোজন হাতীৰ কাৰবাৰী, কোনোজন গুড়ৰ কাৰবাৰী, কোনোজন দোকানৰ কাৰবাৰী, কোনো জন গাখীৰৰ কাৰবাৰী। এনে স্থলত এওঁবিলাকে কি ভাল কাম কৰিব। মই কত যত্ন কৰি ঘৰে ঘৰে ফুৰি, এখনি সংস্কৃত টোল পাতিব নোৱাৰিলোঁ। লগুণ দিব জনা পুৰোহিত নাইকিয়া হল, সংস্কৃত জনা গোসাঞি নাই বুলিলেও অত্যুক্তি নহয়, কতবাত ৰত্নমালা ব্যাকৰণ জনা এটা এডোখৰ আছে, পৰিপূৰ্ণৰূপে জনা নাই বুলিলেই হয়। সকলোৰে মন হল কেনেকৈ ধন হব, এই মাত্ৰ চিন্তা। লৰাবিলাক আন মহন্তলৈ যায় বুলি সিহঁতক সৰুতে শৰণ লগায়। শৰণৰ উদ্দেশ্য কি, 'চাউল একঠা, পইচা এটা পাম' তাৰ পৰ কালত যেই হক। গুৰুৰ পৰকালত কি গতি হব তাক কোনেও নাচায়! শৰণ দিয়াৰ পাছত গুৰুৱে উপযাচি শিষ্যক ধৰ্ম্ম বিষয়ে একোকে নোশোধে, নিশিকায়, কেৱল মাত্ৰ কৰ দে, ৰৰঙনি দে, এই দৰে শিষ্যক হায়ৰাণ কৰে। এনে স্থলত বোপা, ধৰ্ম্মাৰ্থে কোনে দান কৰিব। তোমালোক চেঙেৰা ডেকালৰা, বিশেষ কি কম, অতএব, বোপাসকল, হাই কাজিয়া এৰাহঁক; বিশেষতঃ ধনী হলে ধৰ্ম্মলৈ পাহৰে, সেই নিমিত্ত সাধু সকলে ধনলৈ আশা নকৰে। যাৰ ঘৰত ধন নাই তাৰ ঘৰতে ধৰ্ম্মই বাসা লয়। এতিয়া তাৰ উদাহৰণ চকুৰে দেখিলা নহয়। পুৰণমাটিজনাৰ একো কাৰবাৰ নাই, পূৰ্ব্বৰ মহাপুৰুষীয়া যি সনাতন ধৰ্ম্ম তাকে ধৰি আছে, এই কাৰণে বোপাসকল, তেওঁ কথাতো ৰাখিলে। অতএব তোমালোকে হাই কাজিয়া এৰি পেলোৱা।" মুখিয়াল এজনে কলে, "দেউ, আমি কাজিয়া কৰা নাই, কেৱল আমি পৰীক্ষা চালোঁহঁক।" এই দৰে সকলোবিলাক হাঁহিমাতি স্বস্থানে প্ৰস্থান কৰিলে। আমিও ভিক্ষাবৃত্তি পৰিত্যাগ কৰি নিজ গৃহলৈ গুচি আহিলোঁহঁক॥

শ্ৰীদ্বাৰিকানাথ গোস্বামী।

---

১। [illegible]

# গুৰুচৰিত্ৰ।

(৩৭)

## বংশী গোপাল।

শঙ্কৰ দেৱ যেতিয়া নাজিবালৈ গৈছিল, গোপালে আম পাৰি দিয়াৰ সময়তে কৈছিল; বড়াৰ পো! উজনিৰ পৰা ব্ৰাহ্মণ এজন ধৰ্ম্মগ্ৰহণ কৰিবলৈ যাব, তেওঁক সকল কথা প্ৰপঞ্চি বুজাই কবা। সেই কথা মতে হৰিৰৰ আশ্চৰ্য্যৰ পুত্ৰ বলদেৱৰ ঔৰশত ১৪৭০ শকৰ ফাল্গুন মাহৰ পূৰ্ণিমা তিথিত বৃহস্পতি বাৰে বংশি গোপলেদেৱৰ জন্ম হয়। সুন্দৰিত মাধৱৰ লগত সাক্ষাৎ কৰি ধৰ্ম্মগ্ৰহণ কৰিছে। নীতি শিক্ষা দি ভাগৱতী সম্প্ৰদায় মতে সকলো প্ৰণালীৰ বুজনি দি বেলগুড়িত থকা মদনমোহন মূৰ্ত্তি আৰু ধৰ্ম্ম সম্পৰ্কীয় গ্ৰন্থাদি দি ধৰ্ম্মাচাৰ্য্য পাতি উজনিলৈ পঠাইছে। এওঁ ধৰ্ম্ম প্ৰচাৰ কৰি উজনি খণ্ডৰ অনেক ব্ৰাহ্মণ শূদ্ৰক ভকত কৰাইছে। এই জনা মহা পুৰুষৰ পৰা কুৰুৱাবাহি ডিফলু আউনিআটী সত্ৰ থাপিত হৈছে। ১৫৯০ শকৰ মাঘৰ কৃষ্ণা চতুৰ্থিত বৈকুণ্ঠ প্ৰয়ান কৰিছে।

মাধৱ দেৱ পুৰুষ উত্তৰ পথাৰত বাচৰা থানত বহি কৃষ্ণ লীলা ব্যাখ্যা কৰিছে, এনে সময়তে উজনিৰ পৰা ব্ৰাহ্মণ এজন ভিক্ষাৰ নিমিত্তে আহিছে। গোপাল আৰু মুকুন্দে লগ পাই জিজ্ঞাসা কৰিছে, হাক শুশুনি যাবলৈ ধৰাত দলি বাৰিৰে কান্ধত হেচোঁক মাৰি পেলাই দিয়াত ভিক্ষুকজন চপৰাত পৰি তেজ ওলাই কান্দি উভতি গল।

এই ঘটনাটী মাধৱ দেৱে শ্ৰৱণ কৰি মনত দুখ প্ৰকাশ কৰি শ্ৰীৰাম আতাক কৈছে, ভকতক কষ্ট দিয়া ঠাইত থাকিব নাপাই, কাপোৰ কানি যি আছে লোৱা গুৱাগাছালৈ যোৱা বাওক। আতা ভাৰ পস্তুত কৰি যাবলৈ ওলাইছে, এনে সময়তে মথুৰাদাস আতা উপস্থিত হৈছেহি। সকলো বিৱৰণ শ্ৰৱণ কৰি প্ৰাৰ্থনা কৰিছে আমাৰ গাওঁলৈ যাবলৈ আদেশ হক; গুৱাগাছা যাব নেলাগে: এই বুলি ভাৰ লৈ আগ বাঢ়ি আহিছে; শ্ৰীৰাম আতা আৰু গুৰুজনে "আল ভাই চল আয়স যাবো বৃন্দাবন" এই



গীতটী গান কৰি সুন্দৰিৰ পৰা আগমন কৰিছে। ইয়াত মাধৱ দেৱ পুৰুষ চৈদ্ধ বছৰ আছিল। গুৰু শিষ্য উভয়ে আহি মথুৰা দাসৰ গৃহ পাইছে, আতা সাদৰে আগ বঢ়াই আনি আসনত বহাই পাব ধুৱাই সেৱা জনাইছে। নিশা প্ৰসাদ দি নাম গোৱা সেৱা কৰিছে, ভকত সকলক প্ৰসাদ ভগাই দিছে, বৈষ্ণৱৰ অৱশেষ পুৰুষে নিজে হাত পাতি খুজি লৈছে। ধৰ্ম্মমূৰ্ত্তি বস্তু তাঁতি কুছিলৈ অহাত সকলো লোকৰ আনন্দ হৈছে।

## বৰপেটাৰ চৰিত্ৰ।

মথুৰাদাসে গুৰু গৃহাগত হোৱাত আহ্লাদ কৰি ভাতৃ সকলত মাটী খুজিলৈ নাম ঘৰ সজাবলৈ উদ্যোগ কৰিছে; ডাঙৰ ডাঙৰ গাছ কাটি আনি খুটা চৌতি প্ৰস্তুত কৰিছে; এটা চৌতিৰ জোখ দুই হাত চুটি হৈছিল, সকলো ভকতে জোখ কৰি চৌতিটী অস্থিৰা হল বুলি পুৰুষত জনোৱাত পিছ দিনা গৈ জোখ কৰাত সমান হোৱা দেখি সকলো ভকতে আচৰ্য্য মানিছে। এটা খুটাৰ কাপ সোমাবলৈ পাৰা নাছিল, যদুমনি আতৈ মুৰৰে ধৰি সোমোৱাত সেই দিনাৰ পৰা ভীমা যদুমণি নাম দিছে! সকলো ভকতে যত্ন কৰি অতিশয় বৃহৎ নাম ঘৰ প্ৰস্তুত কৰিছিল আৰু বেৰৰ চাৰিও পিনে বালিচন্দা খুৱাই দেখিবলৈ সুন্দৰ কৰি নিৰ্ম্মাণ কৰিছে। নাম ঘৰ প্ৰতিষ্ঠা কৰি ভাগৱত থাপন কৰি দিনত ভোজন ব্যৱহাৰ ৰাত্ৰি দধি মথন যাত্ৰা কৰিছে। বালক সকলক নটুৱা কাছে সাজিছে, দধি মথনকাৰী সকলক গোপিনী সাজে সজাই স্ত্ৰীবেশ কৰাইছে। দৰ্শক লোক সকলে ভাৱনা দেখি প্ৰেমাকুল হৈ আশ্বাস কৰিছে। এই থানোলত বহু লোক সমাৰোহ হোৱাত অনেকে ধৰ্ম্ম পথলৈ আহিছে। ব্ৰাহ্মণ সকলে লোক সকলক বশীভূত কৰা দেখি অসুয়া পৰবশ হৈ ইন্দ্ৰ ব্ৰাহ্মণক পঠাই ৰঘুদেৱ ৰজাৰ ওচৰত গোচৰ দিয়াইছে। ইন্দ্ৰে বেগাবলৈ গৈ জনাইছে মহাৰাজ! মাধৱে সোণ ৰূপৰ ঘৰ সজাই যুবতী স্ত্ৰী সকল লৈ আমোদ প্ৰমোদ কৰি থাকে। দৈত্য হৈ উদাসীন ভাব দেখুৱাই গোপনে ৰাজসিক হোৱা দেশৰ অমঙ্গল, আপোনাৰ ৰাজ্য নষ্ট কৰিলে। ৰজা ব্ৰাহ্মণৰ কথা শুনি সুবানন্দ কটোৱালক মাধৱক ধৰি নিবলৈ পঠাই দিছে। সুবানন্দ নৰ পেলৈৰে আহি নাম ঘৰত প্ৰৱেশ

কৰি দেখে যে ৰূপৰ ঘৰ নহয় আটাইবোৰ বালিচান্দা দি নিৰ্ম্মাণ কৰিছে। ৰাত্ৰি ভাৱনা কৰিবলৈ আদেশ কৰিছে। কটোৱালৰ আদেশ মতে দধি মথন ভাৱনা কৰাত গোপিনী সকলৰ কপোৰ গুছাই দেখে যে সকলোবিলাক পুৰুষ এজনীয়ো তিৰোতা নাই। গোচবিয়া ব্ৰাহ্মণ সকলক ধন্ম কৰি মাধৱ দেৱৰ প্ৰতি শান্ত ভাব দেখুৱাইছে। ৰাজ আজ্ঞা আছে ঘৰটী অগ্নি দি পুৰিব লাগে, আপোনাক বেহাৰলৈ ধৰি নিব লাগে, কটোৱালে হুকুম পালনৰ নিমিত্তে ঘৰটী পুৰিলে, মাধৱ দেৱকো ধৰি লৈ গৈ বেঙ্গেনা বাড়ীত ৰাখিছে। কটোৱালে বৰ পেটালৈ আহি যিযি দেখিলে সমস্ত কথা ৰাজাত জনোৱাত ৰাজাই নিৰ্দ্দোষী বুলি মেলানি দিলে। মাধৱদেৱ বৰ পেটালৈ ফিৰি আহি সেঁৱক সকলে সহিতে চৌদ্ধটী প্ৰসঙ্গ কৰি সুখে আছে।

তাঁতি কুছিৰ লোক সকলে ৰাসযাত্ৰা কৰিবৰ নিমিত্তে প্ৰাৰ্থনা কৰিছে; তেওলোকৰ প্ৰাৰ্থনামতে বৰগুনি পেলেৱাত আশি টকা ৰুপ উঠিছে। সেই টকাৰে চাউল চৰু লোণ তেল আদি দ্ৰব্য খৰিদ কৰিছে; নটুৱাক ৰামৰ প্ৰতিমা সাজিবলৈ অনুমতি কৰিছে। আজ্ঞা পাই কি নমুনাৰে প্ৰতিমা সজা হব অনুমতি প্ৰাৰ্থনা কৰাত মাধৱ দেৱে কৈছে, আমাক দেখি এই আহিৰে প্ৰতিমা সজাবা; আৰু লগতে সীতাৰ মূৰ্ত্তীও সাজিব লাগে। আন লোক বিলাকে ৰথ আৰু চোঁ মূৰ্খা সাজোক। মাধৱে নিজে গীত ৰচনা কৰিছে। যাত্ৰাৰ কথা শুনি প্ৰচুৰ পৰিমানে লোক আহি তাঁতি কুছি নধৰা হৈছে। ৰথত ৰাম সীতাক তুলি হৰিধ্বনি কৰিছে; সেই ৰথতে হনুমান আৰু বিভীষণৰো মূৰ্ত্তী দেখিবলৈ পাইছিল। সাতদিন ব্যাপি ৰাম যাত্ৰা কৰি লোক সকলক ঈশ্বৰ লীলা দেখুৱাইছিল। সেই ৰামযাত্ৰাৰ প্ৰতিমা লেছা কনীয়া গোবিন্দে প্ৰাৰ্থনা কৰাত অৰ্পণ কৰিছে; অদ্যাপিও ৰাম, সীতা হনুমন্তৰ মূৰ্ত্তি থটৰাত আছে।